
# স্মৰণিকা

# লোৰ পদুম



জাতীয় বীৰ শ্বহীদ পদুম মেধি ওৰফে লাল সিংৰ সোঁৱৰণত

# জাতীয় বীৰ শ্বহীদ
# পদুম মেধি ওৰফে লাল সিং



জন্ম : ২০ ডিচেম্বৰ, ১৯৭১ চন। মৃত্যু : ২৫ জুন, ১৯৯৬ চন।

"বুকুত হাত থৈ
এই বুলি প্ৰতিশ্ৰুতি দিব পাৰো।
বৰ লুইতখন বৈ থকালৈকে
ঋতুবোৰ আহি থকালৈকে
সঁাজৰ তৰাটো আকাশত ওলাই থকালৈকে
আমি তোমালোকক মনত ৰাখিম
হৃদয়ে হৃদয়ে আমি তোমালোকক
জীয়াই ৰাখিম
প্ৰতি ৰাতিপুৱা
সুবৰ্ণ সূৰ্যটোৰ লগতে
আমি তোমালোকক ওলোৱা দেখিম"।

লাল পদুম :

জাতীয় বীৰ শ্বহীদ পদুম মেধি ওৰফে লালসিংৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আদ্যশ্ৰাদ্ধ পৰিচালনা সমিতিৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।

সম্পাদনাত :
শ্ৰীজীৱন তামুলী ফুকন
শ্ৰীমানিক দে
শ্ৰীগনেশ বৰা

বেটুপাত পৰিকল্পনা } শ্ৰীদীপক বৰা
অংকণ : ৰহমত

অঙ্গসজ্জা : শ্ৰীমানিক দে

প্ৰকাশ : ৫ জুলাই, ১৯৯৬ চন

ছপাশাল : শ্ৰীগুৰু প্ৰেছ, হোজাই।

## সম্পাদকীয়ৰ পৰিবৰ্তে

" যাৰ তেজত তিৰবিৰাইছিল
জুৱালি
বুকুত
গুনগুনাইছিল
মৌমাহি
সি নিজানে নিতালে
শুই আছে
শিতানত তাৰ
তেজে ধোৱা মাটি।"

## মই গৰ্বিত

মোৰ পুত্ৰ অসম মাতৃৰ সন্তান।
বীৰৰ দৰে মৃত্যুবৰণ কৰাত মই গৰ্বিত।

☐ শ্ৰীধৰনীকান্ত মেধি
শ্বহীদৰ পিতৃ

## জাতীয় বীৰ শ্বহীদ
# পদুম মেধি ওৰফে লাল সিং

শ্ৰীবীৰেন্দ্ৰ নাথ হাজৰিকা

জীৱনত প্ৰকৃত সত্যটোৱেই হ'ল "বিজয়" মাৰ খালে মাৰ দিব লাগে, কঁকালত কোৰ দি সাপক কেতিয়াও এৰি দিব নালাগে— এই উক্তি বৰ্তমানক ভৱিষ্যতৰ বাবে উছৰ্গা কৰা স্পষ্টবাদী, নিৰ্ভীক, সাহসী আৰু তেনেই স্বল্পভাষী বীৰ শ্বহীদ পদুম মেধি ওৰফে লাল সিঙৰ বিপ্লৱী জীৱনত আখৰে আখৰে প্ৰতিফলিত হ'ল। শোষিত আৰু নিস্পেষিত জনগণৰ মুক্তিৰ বাবে বিপ্লৱী আদৰ্শত অনুপ্ৰাণিত হৈ সংগ্ৰামত জাপিয়াই পৰি শত্ৰুৰ সৈতে সন্মুখ সমৰত কেবাজনো শত্ৰুৰ তেজৰ বিনিময়ত মৃত্যুক আকোৱালি লোৱা বিপ্লৱী সৈনিক গৰাকীৰ বাবে সেয়া মৃত্যু নহয়। "ত্যাগীজনে ত্যাগ কৰে আনৰ বাবে, নিজৰ বাবে নহয়"। বিপ্লৱী জীৱনৰ এই মহান আদৰ্শ দেখুৱাই গল মৃত্যুঞ্জয়ী পদুম মেধি ওৰফে লাল সিঙে।

১৯৭১ চনৰ ২০ ডিচেম্বৰ তাৰিখে নগাঁও জিলাৰ লংকাৰ কাষৰীয়া বামুনগাঁৱত পদুমৰ জন্ম হৈছিল। পিতৃ ধৰণীকান্ত মেধি আৰু মাতৃ ৺দেউলী মেধিৰ দ্বিতীয় পুত্ৰ এই বীৰ শ্বহীদ গৰাকী সৰুৰে পৰা অত্যন্ত সাহসী, স্পষ্টবাদী নিৰ্ভীক আৰু অল্পভাষী আছিল খেলা-ধূলাত, বিশেষকৈ ফুটবল খেলত বিদ্যালয়ত থকা কালত তেওঁ যথেষ্ট সুনাম অৰ্জন কৰিছিল। হিন্দী বিষয়ত তেওঁ কোবিদ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়ি থকা অৱস্থাত সংযুক্ত মুক্তি বাহিনীৰ সক্ৰিয় সদস্য হৈ জনগণৰ মুক্তিৰ বাবে ওলাই যায়। শ্বহীদ গৰাকীৰ সাহসিকতাৰ বিষয়ে তেওঁৰ জীৱনত ঘটা কেইটামান ঘটনাৰ পৰা স্পষ্ট হ'ব পাৰি।

১) প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা অৱস্থাত তেওঁলোকৰ পাম থকা লুটুমাৰী নামৰ ঠাইখিনিৰ পৰা আহি থাকোতে ভৰবাৰিষা কপিলী নদীত নাও ডুব যোৱাৰ পিছতো তেওঁ সাহসেৰে সাতুৰি নদী পাৰ হৈ ঘৰ পাবলৈ সক্ষম হৈছিল।

২) ১৯৮২ চনত মাতৃৰ মৃত্যু আৰু ১৯৮৩ চনত হোৱা ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ এজেন্ট হিতেশ্বৰ শইকীয়াই গাদী দখলৰ বাবে ৰক্তাক্ত নিৰ্বাচনৰ সময়ত লুটুমাৰীত থকা তেওঁলোকৰ ঘৰত জুই লগাই ধ্বংস কৰাৰ পিছতো তেওঁ কোনো ধৰণে ভাঙি পৰা নাছিল।

৩) কেবাগৰাকীও সতীৰ্থৰ সৈতে থকা সময়ত জঙ্ঘলৰ মাজত ভালুকৰ সৈতে মুখামুখি হৈও তেওঁ সাহসেৰে সেই ভালুকৰ হাতোৰাৰ পৰা বাচি থাকিবলৈ সক্ষম হৈছিল।

৪) নগাঁও জিলাৰ কন্দলীত হোৱা ৰাছ দুৰ্ঘটনা এটাত বাছৰ তলত পৰি এটা ভৰি ভাঙি থকাৰ পিছতো তেওঁ সাহসেৰে আৰু কঠোৰ

পৰিশ্ৰমেৰে নিষ্পেষিত জনগণৰ কাৰণে যুঁজ দিবলৈ পিছ পৰা নাছিল।

৫) এবাৰ এটা বৃহৎ অজগৰ সাপে এই বীৰ শ্বহীদ গৰাকীৰ এটা ভৰিৰ এক অংশ গিলি ধৰাত, লগত থকা ছুৰিৰে সাপটোৰ মুখ কাটি বাচি আহিবলৈ সক্ষম হৈছিল।

সশস্ত্ৰ বিপ্লৱত বিশ্বাসি এই জনা বিপ্লৱীয়ে সংযুক্ত মুক্তি বাহিনীৰ লক্ষ্য, উদ্দেশ্য আৰু আদৰ্শত অনুপ্ৰাণিত হৈ ১৯৯০ চনত উক্ত সংগঠনত সক্ৰিয়ভাবে সোমাই পৰে আৰু তাৰ পিছতে উচ্চ প্ৰশিক্ষণ সমাপ্ত কৰি জিলা সমিতিৰ এগৰাকী সৈনিক সদস্য হিচাপে সংগঠনৰ কামত একাগ্ৰতাৰে নিজকে বিলাই দিয়ে। নিজ জিলাৰ সমগ্ৰ ঠাইৰ লগতে অসমৰো বিভিন্ন অঞ্চলত লাল সিং নামেৰে জনাজাত এই বিপ্লৱী বীৰ শ্বহীদ গৰাকী সং মুঃ বাহিনীৰ সক্ৰিয় সদস্য হোৱাৰ দিনৰ পৰা পিছলৈ উভতি নোচোৱাকৈ কৰ্মক্ষেত্ৰত আগবাঢ়ি গৈছিল। তেওঁ এই কথাতে সদায় বিশ্বাস আছিল যে, বিপ্লৱীৰ জন্ম নহয় সৃষ্টিহে হয়"।

কিন্তু ভাৰতীয় শোষক ৰাষ্ট্ৰৰ ৰহতীয়া অসমৰ তথাকথিত জনপ্ৰিয় প্ৰফুল্ল মহন্ত চৰকাৰে ভেৰোণীয়া সৈন্য বাহিনী মেলি দি অসমৰ যুব সমাজক নিঃশেষ কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰে তাৰে এটা অংশ হিচাপে ১৯৯৬ চনৰ ২৷ জুন তাৰিখে কাৰ্বি আংলং জিলাৰ বৈঠালাংছু থানাৰ অন্তৰ্গত ডিমৰু নামৰ ঠাইখিনিতে চৰকাৰৰ ভেৰোণীয়া বাহিনী আৰু সং মুঃ বাহিনীৰ মাজত হোৱা সংঘৰ্ষত কেবাগৰাকীও সৈন্যক নিহত কৰি পহুম মেধি ওৰফে লালসিং নিজেও স্বাধীন অসমৰ শ্বহীদৰ তালিকাত সংযোজিত হ'ল।

পহুম মেধি ওৰফে লাল সিং সদায় স্বল্পভাষী অত্যন্ত সাহসী, কঠোৰ পৰিশ্ৰমী, মিতব্যয়ী, সৎ ব্যৱহাৰ, সমদৃ সম্পন্ন আৰু কু-সমালোচনাৰ পৰা সদায় আতঁৰত আছিল। তাৰ প্ৰমাণ শ্বহীদ গৰাকীৰ মৃতদেহ লৈ হাজাৰ হাজাৰ জনগণৰ অগ্নিবৰষা অশ্ৰুসিক্ত মৌন শোভাযাত্ৰাই। তেওঁ অসমৰ শোষিত নিষ্পেষিত জনগণৰ বাবে যি আদৰ্শ এৰি থৈ গ'ল, সেই আদৰ্শ যাতে সমগ্ৰ অসমবাসীয়ে পূৰ্ণৰূপ দিবলৈ আপ্ৰাণ চেষ্টা কৰে। এজন বিপ্লৱী ভাতৃক হেৰুৱাই আমি কিঞ্চিতো বিচলিত হোৱা নাই।

## পহুম, তোমাৰ বিপ্লৱী সত্তা জীয়াই থাকিব

স্বজাতি আৰু স্বদেশৰ মুক্তিৰ বাবে বীৰৰ দৰে সাহসেৰে ভাৰতীয় শোষক ৰাষ্ট্ৰযন্ত্ৰটোৰ ভেকনীয়া গুণ্ডাবাহিনীৰ লগত যুঁজ দি কেইবাজনো সেনাক নিহত কৰি নিজেও শ্বহীদ হোৱা মোৰ ভাইটি পহুম মেধি ওৰফে লাল সিঙৰ বিয়োগত মই বা মোৰ পৰিয়ালৰ কোনোৱেই বিচলিত হোৱা নাই।

কিন্তু, অসমত শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যত এখন দুৰ্নীতি মুক্ত চৰকাৰ গঠনৰ বাবে মোৰ ভাইটোৱে যিমান খিনি কষ্ট কৰিলে তাৰ বিনিময়ত মহন্ত চৰকাৰে দিয়া নৃশংসতাৰ কথা ভাবিহে দুখ লাগিছে।

যিয়েই নহওক শাসন, শোষন আৰু অত্যাচাৰ যিমানেই নৃশংস নহওক কিয় মোৰ ভাইটিৰ বিপ্লৱী সত্তা আৰু আদৰ্শক ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰ আৰু অকৃতজ্ঞ অসম চৰকাৰে কেতিয়াও শেষ কৰিব নোৱাৰে।

● শ্ৰীকমল মেধি (শ্বহীদৰ জ্যেষ্ঠ ভাতৃ)





# কবিতা

## শ্ৰদ্ধাৰ্ঘ

শ্ৰীলক্ষ্মী কেওঁট

প্ৰকৃত সন্তান তুমি ......
মাতৃৰ সেৱাৰ থলিত,
বিনিদ্ৰ ৰজনী কটাই পূজাৰীৰ বেশে
উচ্চাৰি জয়ৰ মন্ত্ৰ মানুহৰ হৈ
ঘূৰিলা চৌদিশ মাথো একে কথা কৈ।
অশ্ৰুসিক্ত নয়নে .........
শ্ৰদ্ধাৰ্ঘ জনালে জনে,
দেহ মন বিগলিত মৌন আৰ্তনাদ
তুমি যেন বিভিয়ালা-আগুৱাই ব'লা
সতীৰ্থ জনৰো তুমি পাথেয় হ'লা।
পুণ্য হ'ল হে বীৰ ... ...
তোমাৰ জন্মৰ স্থলী,
সহস্ৰাধিক লোকৰ পদৰেণু চুমি
মৃত্যুক কৰিলা জয় – যুগমীয়া হ'লা
কলিজাৰ কেঁচা তেজে মাতৃক পুজিলা।
তুমি যে আচল বীৰ ... ...
নিষ্ঠুৰ বাস্তৱতো দৃঢ়তাৰ চিন,
হাতৰ মুঠিয়েই যাৰ সাক্ষী চিৰদিন
নিছিগে নসৰে ফুলৰ অঞ্জলী বেদীৰ
জিলিকিল এপাহী 'পহুম' ফুলৰ মাজৰ।

## সহযোদ্ধা

শ্ৰীচন্দ্ৰ কান্ত বৰা

তোমাৰ বুকুত আছিল
এখন পৃথিৱী
আৰু এজাক মানুহৰ নিশ্বাস
কিন্তু এতিয়া তুমি আছা
আমাৰ বুকুত
আৰু হিয়াত তোমাৰ বিশ্বাস।
আমাৰ উকথা চোতালত
তোমাক শুৱাই থলো,
মৰা জোনৰ ক্ষীন পোহৰত
তোমাকেই পৰ দি ৰলো।
কিজানিবা তোমাৰ দৃঢ়তাৰে
বেহু ভাঙি উদিত হয় অভিমন্যু
নতুবা সিহঁত মূৰ্চ্ছিত হোৱাৰ
আগে ............ আগে
সাৰ পাই উঠে তোমাৰ
অৱৰুদ্ধ বিশ্বাস
বুলেটৰ আঘাতেৰে নিগৰা
তোমাৰ তেজৰ অট্টালিকাত
প্ৰজন্মই আঁকিব স্বাধীনতাৰ পতাকা
সেয়ে হওক আমাৰ বিশ্বাস।

## সশস্ত্ৰ সংগ্ৰামেহে শান্তি আনিব

মোৰ আশি বছৰীয়া জীৱনৰ অভিজ্ঞতাৰ পৰা মই কওঁ — সশস্ত্ৰ সংগ্ৰামৰ দ্বাৰা হে দেশত স্থায়ী শান্তি আহিব পাৰে।

কংগ্ৰেছৰ শাসনত অতিষ্ঠ হৈ অসমৰ ৰাইজে অসম গণ পৰিষদ দলৰ চৰকাৰ গঠন কৰিছিল। কিন্তু, এতিয়াও কংগ্ৰেছী সংস্কৃতিৰ সেই দমন নিপীড়ন চলি থকাটো দুৰ্ভাগ্যজনক।

● ব্ৰজবালা দাস, বামুনগাঁও, লংকা

OKDISCO

## কল্পাচ

পবিত্ৰ হাজৰিকা

হে মানৱ দৰদী ভ্ৰষ্টাচাৰী নেতা—
উলঙ্গজনে উলঙ্গ জনক
লজ্জা নিবাৰণৰ সংজ্ঞা দিয়ে ;
কলঙ্কৰ ইতিহাস ৰচোতা জনে
ভ্ৰষ্টাচাৰ নিৰ্মূলৰ আহ্বান জনাই
বিবেকক বিক্ৰি কৰি উচ্ছিষ্ট গ্ৰহণ
কৰোতা জনে সমাজ গঠনৰ
মানসিক খাদ্যৰ যোগান ধৰে ;
খদ্দৰৰ কোটৰ জেপত হাতবোমা
কঙ্কালৰ বেল্টত বিষাক্ত তৰোৱাল লৈ
বাপুৰ অহিংসা নীতিৰে চলা,
অজস্ৰ গাভৰুৰ কেচাঁ মঙহৰ
জুতি লৈ নাৰী মুক্তিৰ আহ্বান জনোৱা
ধৰ্মৰ বাবে মন্দিৰ মছজিদৰ
নাটকেৰে ৰক্তস্নান কৰোতা জনে
ধৰ্ম নিৰপেক্ষতাৰ মন্ত্ৰ পঢ়ে,
গণতন্ত্ৰক মহীয়ান কৰা চলেৰে
প্ৰলোভন, হাৰাশাস্তিৰ ভাবুকিৰে
বাক স্বাধীনতা খৰ্ব কৰে,
এয়া মানবীয়তা নে দেশ প্ৰেমৰ নমুনা।
দেহোপভোগ কৰিবলৈ যাওতা জনৰ
অনুভূতিয়ে জোকাৰেণে এবাৰ,
উদং পেটৰ যন্ত্ৰনাৰ উপশম
মুক্ত দেহৰ খলা বমা ঢাকিবৰ
বাবে মনৰ বিপৰীত আশ্ৰয়
জেঠৰ খৰৰ প্ৰখৰ ৰদত
বৰ গছৰ ছাঁত জুৰ পেলোৱা
বতাহৰ আশাৰে জিৰনী লোৱা,
পুহৰ হাড় কপোৱা শীতত
জুইৰ কাষত পৰি উম লৈ
টোপনীৰ আমেজ লব খোজা
অপৰাধ নে মানবীয়তা !
অন্ন বস্ত্ৰ বাসস্থানৰ নিৰাপত্তা
প্ৰদানৰ অঙ্গীকাৰে সৰু দৈয়া
জাপি আদৰি নলয় প্ৰতিবাদেৰে
জয়ধ্বজা উৰুৱাবলৈ উচ্চশিৰে
অগ্ৰসৰ হওতা জন সন্ত্ৰাসবাদী,
উগ্ৰপন্থী নে জাতীয় মুক্তি সেনানী ??

## শ্ৰদ্ধাঞ্জলি

(পত্নম দাৰ পবিত্ৰ স্মৃতিত)

ঃ নৰজিত মেধি
ঃ অঞ্জুমণি হাজৰিকা

হে অসমী আইৰ প্ৰকৃত বীৰ
তুমি তোমাৰ সাহস
অফুৰন্ত শক্তিৰে
তোমাৰ কৰ্মময় জীৱন
মুক্তি সংগ্ৰামৰ মাজত
কৰিলা অৰ্পন।
আজি তুমি যি আদৰ্শৰে
পৰিচালিত হৈ
হাঁহিমুখে কৰিলা
মৃত্যু বৰণ
সেই আদৰ্শক আমাৰ মাজত
চিৰদিন জীয়াই
ৰাখিম বুলি,
আজিয়েই কৰিলো পণ।
তোমাৰ জ্যোতিৰে শানিত হওঁক
নিষ্পেষিত জনগণ।
তুমি হলা অক্লান্ত পথযাত্ৰী
উদ্ভাষিত হওঁক
তোমাৰ প্ৰেৰণা আৰু কৰ্মৰাজি
তুমি আজি জ্যোতিষ্মান।



## প্ৰতিবাদী কণ্ঠ

মিনতি ডেকা

আমি প্ৰত্যেকেই বুজো
মুক্তি পিয়াসী বীৰ সেনানী মানেই
এটি বুলেট উপহাৰ।
প্ৰতি বিদায়, আমাৰ শেষ বিদায়,
প্ৰতি যাত্ৰাই আমাৰ অসীম,
তথাপিও আমি আগুৱাও হাঁহি হাঁহি।

দেশ আৰু জাতিৰ মুক্তিৰ
তীব্ৰ হাবিয়াসে মোক স্তব্ধ কৰে ;
প্ৰতি শ্বহীদৰ কৰুন মৃত্যুত
হৃদয়ে হাহাঁকাৰ কৰে ;

তথাপিও মোৰ মাতৃভূমি অসম।
প্ৰতিটো আশ্ৰয় ....... ....
ক'তোৱেই চোন পাৰ্থক্য নেদেখো ;
বুৰ্জোৱা ভাও জোৰা সুবিধাবাদীৰ
চামটোও দেখোন
মোৰেই ভাতৃ. তেন্তে—
সাম্ৰাজ্যবাদক গণশক্তিৰ অমোঘ অস্ত্ৰই
কেতিয়ানো নিঃশেষ কৰিব ?
কেতিয়ানো জাগিব জনতাৰ
দেশ প্ৰেমবোধ ?
কেতিয়া ৰাজপথত জনস্ৰোত ব'ব
প্ৰতিবাদৰ কণ্ঠেৰে দশোদিশ কঁপাই তুলিব ?

## সৃষ্টিৰ অপেক্ষাত

ৰুমী শইকীয়া

হে, মোৰ বিপ্লৱী বন্ধু !
সীমান্তৰ উচ্চ শিখৰত
এতিয়া বাৰু তুমি কিহত ব্যস্ত ?
সম্ভৱ,
আই মাতৃৰ শিৰত—
বিজয় মুকুট পিন্ধাবৰ বাবে,
হব লগা বিপ্লৱৰ আখৰাত
নতুবা
কোনোবা শত্ৰুৰ আগমনৰ অপেক্ষাত।
আৰু আমি,
দিনৰ পিছত দিন,
মাহৰ পিছত মাহ, অপেক্ষা কৰিছো,
সেই আকাংক্ষিত নতুন দিনৰ বাবে
হে' মোৰ বিপ্লৱী বন্ধু !
সেই আকাংক্ষিত দিনৰ বাবে
কেনে চলিছে তোমালোকৰ প্ৰস্তুতি ?
আৰু কিমান দিন বাকী
সেই নতুন দিনৰ ?
য'ত আমি একেলগে সকলোৱে
নিজকে সঁজাব পাৰিম
সফল বিপ্লৱীৰ ৰূপত
আৰু যৱনিকা পেলাব পাৰিম
ইতিহাসৰ য'ত আৱৰ্জনা।

## 'মৃত্যু' ঐক্যবদ্ধ গণ সংগ্ৰামৰ প্ৰেৰণাৰ উৎস

মৃত্যুৱে কোনো জাতীয় সংগ্ৰামৰ সমাধান নহয়। ই মাথো জৰ্জৰিত, শোষিত, নিষ্পেষিত জনগণক প্ৰেৰণা দিয়ে ৰাষ্ট্ৰ সন্ত্ৰাসৰ বিৰুদ্ধে ঐক্যবদ্ধ ভাবে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিবলৈ। অসমৰ বিভিন্ন জনগোষ্ঠিৰ সমস্যা সমূহ জাতীয় পুণৰ মিলনৰ দ্বাৰা শোষণ মুক্ত, সমৃদ্ধিশালী অসম গঢ়াৰ সংগ্ৰামক আগবঢ়াই নিয়াৰ প্ৰতিশ্ৰুতিৰে আগবাঢ়ি আহক প্ৰতিজন অসম প্ৰেমী।

শ্ৰীমুকুল গোস্বামী, লংকা

OKDISCD

## তোমাৰ তেজত ফুলি উঠক হেজাৰ পাঁহি সুৰ্য্যমুখী

শ্ৰীশাৰঙ্গধৰ ৰজা

সুৰ্য্যটো দুপৰতেই খহি পৰিল,
প্ৰচণ্ড শব্দেৰে
উল্কাবোৰে বাৰে বাৰে হানিছিল
নিষ্ঠুৰ আঘাত।
মুমুক্ষু জনতাৰ বাবেই
এজাক পগলা ধুমুহাৰ সতে যুঁজি যুঁজি
অহা বাটেৰে তেওঁ আকৌ গ'লগৈ।
হে বীৰ!
তুমি থৈ গ'লা আমালৈ
তেজ ৰঙা ইতিহাস
তোমাৰ চিতাবহ্নিৰ উত্তাপত
ঘামি উঠিছিল
আমাৰ উত্তপ্ত কোভবোৰ।
হেজাৰ জনৰ অশ্ৰুপাতত
ভিজি উঠিছিল
গুলী বেয়নেটৰে ক্ষত বিক্ষত তোমাৰ শৰীৰ।
হে সম্ৰাট!
হে শাসক!
হে প্ৰৱঞ্চক!
শুনি যোৱা হেজাৰ জনৰ
ক্ৰন্দনৰ ধ্বনি।
মই জানো
সেই ক্ৰন্দনে তোমালোকৰ হৃদয়
ক'পাব নোৱাৰে।
তোমালোকে সেই ক্ৰন্দনৰ সুৰত
মাথো বিচাৰিবা
সুৰা বেশ্যাৰ সতে কটোৱা নিশাৰ
টেপৰেকৰ্ডাৰৰ সুৰৰ সাদৃশ্য।
কিন্তু, জানিবা—
বিপ্লৱৰ মৃত্যু নাই;
আকৌ সৃষ্টি হব- অনন্ত সেনানী।
হে' পদুম!
স্বৰ্গৰ পৰা এবাৰ শুনা-
তোমাৰ নিষ্পন্দন দেহৰ উৰ্দ্ধবাহু মুদ্ৰা
আৰু মুষ্টিবদ্ধ হাতেৰে
আমাক দিগ'লা
বিপ্লৱৰ প্ৰতিশ্ৰুতি।
তোমাৰ শৰীৰৰ প্ৰতিটো অংগতেই
সিহঁতৰ পৈশাচিক নিষ্ঠুৰতাৰ ছবি
ফুটি উঠিছিল।
কিন্তু, নিঃশেষ নহয়
তোমাৰ আদৰ্শ।
হে পদুম—
তোমাৰ প্ৰতিবিন্দু তেজত ফুলি উঠক
হেজাৰ পাহি সুৰ্য্যমুখী।

## আহক জীয়াই থকাৰ সংকল্প লওঁক

জাগিবৰ হল। আমাৰ চোতালতে শতৰুৰ অতপালি! কুমলীয়া প্ৰাণকলৈ খেলিছে শত-ৰুৱে— হেতালি, নিৰ্মম হেতালি॥

আপোনাক মোক— কাকো জীয়াই থাকিবলৈ নিদিয়ে। আহক! জীয়াই থকাৰ সংকল্প লওঁক। "—আহ ঐ আহ" বুলি চিঞৰিলে হিলদল ভাঙি ওলাই আহিব লাগিব ৰাইজ।

বুকুত সাহস লৈ ধুমুহাৰ বিপৰীতে খোজ দিব লাগিব।

লুটফুৰ ৰহমান, ছাত্ৰনেতা, লংকা।

## এই অত্যাচাৰ, লুণ্ঠনৰ পৰিসমাপ্তি হ'বনে ?

এচ, ডি, গোস্বামী

ছশ বছৰীয়া আহোম ৰাজত্বৰ বেলিমাৰৰ লগে লগেই অসমৰ বুকুলৈ নামি আহিল অমানিশাৰ ঘোৰ অন্ধকাৰ। কুখ্যাত ইয়াণ্ডাবু সন্ধিৰ স্বৰ্ত্ত অনুযায়ী অসম ৰঙতীয়া হ'ল বণিক শাসকগোষ্ঠী বৃটিছৰ। তেতিয়াৰ পৰা দুই দশকৰো অধিককাল বৃটিছে শাসনৰ নামত শোষণ-লুণ্ঠণ চলাই সোনৰ অসমক মৰিশালী সদৃশ কৰি পেলালে।

১৯৪৭ চনত ভাৰতৰ লগতে অসমেও স্বাধীনতা পালে সচাঁ. কিন্তু স্বধীনতাৰ নামত অসমে যোৱা অৰ্দ্ধ শতিকাজুৰি কি পাইছে সেইটো বিচাৰ্যৰ বিষয়। এক কথাত কবলৈ গ'লে বিদেশী শাসক-শোষকৰ পৰা পৰিত্ৰাণ পাই স্বদেশী শাসক-শোষকৰ কবলতহে পৰিল অসম। ঠিক যেন সাগৰত ডুবি মৰিবলৈ ধৰাজনক উদ্ধাৰ কৰি আনি নদীত ডুবি মৰিবলৈ দিয়া হ'ল। স্বাধীনতা লাভ কৰি ভাৰতবৰ্ষই বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ বুলি গৰ্বোৎফুল্লিত হলেও অসমৰ ক্ষেত্ৰত ভাৰতীয় সংসদীয় গণতন্ত্ৰ অৰ্থহীন এক ভুৱা প্ৰচাৰৰ বাহিৰে আন একো নহয়। ভাৰতীয় গণতন্ত্ৰৰ নামত যে এচাম শোষকৰ স্বৈৰচাৰিতা চলিছে সেই কথা আজি দিনৰ পোহৰৰ দৰেই স্বচ্ছ। পুঁজিপতি, ক্ষমতালোভী, বুৰ্জোৱা শ্ৰেণীটোক ৰক্ষণাবেক্ষণ দিবৰ বাবে ৰচনা কৰা হৈছে- তথাকথিত ভাৰতীয় সংবিধান। এনেখন ভাৰতীয় সংবিধানে অসমৰ নিষ্পেষিত নিপীড়িত জনগণৰ কি স্বাৰ্থ ৰক্ষা কৰিছে সেইটো আজি কাৰো অবিদিত নহয়। অসমক প্ৰতিটো ক্ষেত্ৰতে কেন্দ্ৰই অৱহেলা, বঞ্চনা, কৰাৰ প্ৰকৃষ্ট প্ৰমাণ অসমৰ বঞ্চিত জনসাধাৰণে আজি ৪৮ বছৰে প্ৰত্যক্ষ কৰি আহিছে। অসমৰ বঞ্চিত জনে ন্যায্য প্ৰাপ্যৰ বাবে মাত মাতিলেই ভাৰতীয় পুঁজিবাদে জাণ্ডুৰ খাই উঠে। নিজ অধিকাৰ সাব্যস্ত কৰিবলৈ আন্দোলন কৰিব লাগে. গুলি খাব লাগে। পুঁজিপতিৰ. স্বাৰ্থত আঘাত পৰা যেন অনুমান হ'লেই ফেচীবাদী ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই তেওঁলোকৰ আজ্ঞাবাহী ৰাং কুকুৰৰ দল মেলি দিয়ে— অসমৰ নিৰীহ নিৰস্ত্ৰ জনগণৰ ওপৰত। আৰু এই ৰাং কুকুৰৰ দলে প্ৰতিবাদী সত্বাক বন্দুক-বেয়নেটেৰে প্ৰতিহত কৰি জাতিধ্বংসী যজ্ঞ সম্পন্ন কৰে; আই. বাই ভনীৰ সতীত্ব হানি কৰি তেওঁলোকৰ সংবিধান সুপৱিত্ৰ কৰে। অৱধাৰিত ভাবে চলি থকা এই ৰাষ্ট্ৰ সন্ত্ৰাসত জৰ্জৰিত অসমৰ লুণ্ঠিত জন-গণ আজি লোহাৰ গড়ালত বন্দী। যেতিয়া লৈকে পুঁজিবাদী শাসক শ্ৰেণীৰ এই প্ৰক্ৰি-য়াটো চলি থাকিব তেতিয়ালৈকে অসমৰ নিষ্পেষিত জনগণে মুক্তিৰ প্ৰয়াস কৰাতো সুদূৰ পৰাহত।

ভাৰতৰ স্বাধীনতাৰ পিছৰ পৰাই অসমৰ ৰাইজৰ উমৈহতীয়া মতামতক কোনো গুৰুত্ব নিদি ভাৰতীয় পুঁজিবাদে নিৰ্বিচাৰে লুণ্ঠন কৰি আহিছে অসমৰ বহুমূলীয়া সম্পদ ৰাজি। এই লুণ্ঠণৰ অন্ত এতিয়াও হোৱা নাই। শেহতীয়াকৈ অসমৰ খাৰুৱা তেল বাহিৰলৈ নি শোধন

OKDISCD

কৰাৰ আন এক কৌশল 'লুপ লাইন' নির্মাণৰো ষড়যন্ত্ৰ কৰিছে কেন্দ্ৰীয় চৰকাৰে। অসমৰ নিপীড়িত জনগণ আজি এডিঙি পানীত থাকিও পানীৰ পিয়াহত মৰিছে। অসমৰ সম্পদ লুণ্ঠন কৰি বাহিৰত বৃহৎ উদ্যোগ স্থাপিত হৈছে. অথচ আমাৰ উঠি অহা যুৱক যুৱতী সকলে অন্ধকাৰ ভবিষ্যত এটা আগত লৈ অনিশ্চয়তাত দিন যাপন কৰিব লগীয়া হৈছে। নিজৰ সম্পদৰ ওপৰতে আজি আমাৰ নিজৰ অধিকাৰ নাই. আত্মনিয়ন্ত্ৰণৰ কথা, কবলৈ গলেই— তাৰ পুৰস্কাৰ দিছে বন্দুকৰ গুলিৰে। নিজ অধিকাৰ সাব্যস্ত কৰিবলৈ গ'লে হ'ব লাগে দেশদ্ৰোহী। ফেচীবাদী ভাৰতীয় সংসদীয় গণতন্ত্ৰৰ ইতৰ পশুৰ দৰে হত্যা কৰাৰ আইনো তেওঁলোকে সৃষ্টি কৰি লৈছে। পৃথিৱীৰ কোনো সাম্ৰাজ্যবাদী শাসকে ও এনে নির্মম নীতি কেতিয়াও প্ৰচলন কৰা নাছিল অথচ গণতন্ত্ৰৰ দোহাই দি ভাৰতীয় শাসক সকলে অসমৰ ক্ষেত্ৰত তাকেই কৰি আহিছে, কৰি থাকিব। যি সংবিধানে মানুহক ইতৰ পশুৰ দৰে হত্যা কৰিবলৈ অধিকাৰ দিছে, জনমতক বন্দুকৰ গুলিৰে স্তব্ধ কৰাৰ ক্ষমতা দিছে, তেনে সংবিধানৰ যে প্ৰয়োজন নাই, সেই কথা আজি অসমৰ বঞ্চিত, শোষিত, লুণ্ঠিত জনগণে হাড়ে হাড়ে উপলব্ধি কৰিব পাৰিছে মুঠতে যেতিয়ালৈকে আমি আত্ম নিয়ন্ত্ৰনৰ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰো তেতিয়ালৈকে ভাৰতীয় পুজিবাদীৰ এই লুণ্ঠনৰ অন্ত নপৰে, ই চলি থাকিব— অবিৰতভাৱে।

## *সশস্ত্ৰ সংগ্ৰামে সমস্যাৰ স্থায়ী সমাধান সম্ভৱ নহয়*

গণসংগ্ৰামেই হওক বা সশস্ত্ৰ সংগ্ৰামেই হওক আমি লক্ষ্য কৰিব লাগিব যে, সংগ্ৰামৰ উদ্দেশ্য কি ? মোৰ বিশ্বাস সশস্ত্ৰ সংগ্ৰামৰ দ্বাৰা সাময়িক ভাৱে সমস্যাৰ সমাধান হব পাৰে, কিন্তু স্থায়ী সমাধান সম্ভৱ নহয়।

কংগ্ৰেছৰ বিকল্প হিচাবে অসম গণ পৰিষদৰ দলৰ চৰকাৰে ক্ষমতা দখল কৰাৰ পিছতো ৰাজ্যত ক'লা আইন সমূহ আৰু সৈন্য বাহিনী থকাটো দুৰ্ভাগ্য জনক। অৱশ্যে আইন শৃংখলা ৰক্ষাৰ নৈতিক দায়িত্ব চৰকাৰে পালন কৰিব লাগিব। আলোচনাৰ দ্বাৰা সমস্যাৰ সমাধান কাম্য।

শশীকান্ত হাজৰিকা ( অৱসৰ প্ৰাপ্ত শিক্ষক )

## অসমৰ স্বাধীনতাৰ বাবে গণভিত্তিহে প্ৰকৃততে প্ৰয়োজন

অসমৰ স্বাধীনতাৰ বাবে গণভিত্তিহে প্ৰকৃততে প্ৰয়োজন যদিও তাৰ লগে লগে সশস্ত্ৰ সংগ্ৰামৰো প্ৰয়োজন আছে। শ্বহীদ লাল সিং ওৰফে পত্নম মেধিয়ে যি পথত অগ্ৰসৰ হৈছিল সেই পথ লবলৈ ভাৰতীয় শোষক ৰাষ্ট্ৰ তথা তেওঁলোকৰ এজেণ্ট অসম চৰকাৰে বাধ্য কৰাইছে। বৰ্তমান পৰিস্থিতিত অসমৰ সাৰ্বভৌমত্ব অবিহনে অসমত উন্নতি সম্ভৱ নহয়। কাৰণ ৰাষ্ট্ৰযন্ত্ৰই সেইটো পৰিৱেশৰ সৃষ্টি হবলৈ নিদিয়ে। অৰ্থাৎ বৰ্তমানৰ সংসদীয় ৰাজনীতিত থাকি কোনো পথেৰেই অসমৰ শোষিত-নিস্পেষিত জনগণৰ মুক্তি হব নোৱাৰে।

বীৰেন্দ্ৰনাথ হাজৰীকা; শিক্ষক



# জাতীয় মুক্তি আন্দোলনৰ প্ৰাসঙ্গিকতা

জীৱন তামুলী ফুকন

ভাৰতীয় ধনীক শ্ৰেণীৰ প্ৰতিনিধি শাসক শ্ৰেণীয়ে বিভিন্ন গণ আন্দোলন দমনৰ নামত পুলিচ, মেলেটেৰীৰ দমন, সন্ত্ৰাস, ধৰপাকৰ, মাৰপিট, পাইকাৰী জৰিমনা আদিৰে নিৰীহ জনতাৰ ওপৰত অৱৰ্ণনীয় অত্যাচাৰ চলাই আহিছে। ১৯৪৯ চনতেই জ্যোতিপ্ৰসাদ আগৰৱালাই কংগ্ৰেছী দমন নীতিৰ প্ৰতিবাদ কৰিছিল এইদৰে, "আজি আমি হিংসামূলক দমন নীতিৰে এটা ঐতিহাসিক অন্যায়ৰ বিৰুদ্ধে পৃথিৱী জোৰা প্ৰতিৰোধ জগাই তোলা আদৰ্শবাদী দলক দমন বা নিৰ্মূল কৰিব পাৰিম বুলি ভাবি লোৱাটো ভাৰত বুৰঞ্জীৰ আটাইতকৈ ডাঙৰ বিভ্ৰান্তি বুলি মোৰ দৃঢ় ধাৰণা হৈছে।"

"ইয়াণ্ডাবু সন্ধিৰ" জৰিয়তে অসমীয়াক অতি সতর্কতা আৰু সু-পৰিকল্পিত ভাৱে এটা নিপীড়িত, লাঞ্ছিত, বঞ্চিত আৰু অপমানিত জাতিৰ শাৰীত থিয় কৰালে সাম্ৰাজ্যবাদী বিদেশী ও দেশী শোষক শ্ৰেণীয়ে।

প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰ প্ৰসাদ প্ৰমুখ্যে কংগ্ৰেছী নেতা সকলেই বাংলাদেশৰ মুছলিম প্ৰব্ৰজনৰ লগত সমতা ৰাখিবলৈ বুলি আৰু সৰ্বভাৰতীয় বণিক গোষ্ঠীৰ সামাজিক ভিত্তি মজবুত হৈ থাকিব পৰাকৈ অসমলৈ হিন্দু বিহাৰী লোকৰ ব্যাপক প্ৰব্ৰজনক উদগনি দিছিল। ১৮২৬ চনৰ পিছৰ পৰা ৰাজস্থানৰ জৈন আৰু হিন্দু বণিক সকলে উত্তৰ পূৰ্বাঞ্চলত বৃটিছৰ বিশেষ অনুগ্ৰহত ব্যৱসায় আৰু বেংকিঙৰ কামৰ মাজেৰে শোষণৰ জালখন বিস্তৃত কৰিব ধৰিলে। উনবিংশ শতিকাৰ শেষৰফালে বৰপেটা আৰু গুৱালকুছিৰ কিছু ব্যৱসায় স্থানীয় অসমীয়া মানুহৰ হাতত আছিল যদিও মূল ব্যৱসায় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল জুৰি এই বণিক পুঁজিৰ নির্মম শোষণৰ কৰাল গ্ৰাসত কৰিলে। ফলত স্থানীয় ক্ষুদ্ৰ ব্যৱসায়ী গোষ্ঠীটোৱে নিজৰ স্বাধীনতা হেৰুৱাই পেলালে। আজি অসমত বৃটিছ পুঁজিৰ পাছতেই সৰ্বভাৰতীয় বণিয়া পুঁজিৰ চাহ বাগিছাত দ্বিতীয় স্থান। বিদেশী পুঁজিৰ আধিপত্য আৰু তাৰ সহযোগী সৰ্বভাৰতীয় বণিক পুঁজিৰ পৰিকল্পিত চক্ৰান্তৰ ফলত স্বাভাৱিক ভাবেই থলুৱা পুঁজিৰ বিকাশ ৰুদ্ধ হৈ আহিছে। স্বাধীনতা আন্দোলনৰ সময়ত এই বণিক গোষ্ঠীয়ে সাধাৰণতেই আন্দোলনৰ বিপক্ষে আৰু বৃটিছৰ পক্ষে থিয় হৈছিল। ইয়াৰ পাছতো প্ৰতিটো অৰ্থনৈতিক সংকট আৰু খাদ্য আন্দোলনৰ সময়ত সৰ্বভাৰতীয় বণিক গোষ্ঠীৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ প্ৰকাশ হৈ আহিছে। বৰ্তমান যুগত অৰ্থনীতিয়ে প্ৰত্যক্ষভাৱে ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিশেষকৈ অসমৰ সমাজ জীৱনত ভাৰতীয় বণিক গোষ্ঠীৰ আধিপত্যৰ প্ৰতিফলন ৰাজনীতিতো ঘটিবলৈ বাধ্য।

কোনোদিনেই ভাৰত ৰাষ্ট্ৰই বা ভাৰতীয় সংবিধানে উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ জাতিসত্তা সমূহৰ উপনিৱেশিক শোষন বঞ্চনাৰ পৰা ৰক্ষা

কৰিব পৰা নাই আৰু পাৰিব বুলি আমাৰ বিশ্বাস নহয়। শোষক শ্ৰেণীয়ে পৰিকল্পিত ভাৱেই বৃহৎ একচেতিয়া পুঁজিৰ স্বাৰ্থত পৰিচালিত ভাৰত চৰকাৰৰ সহযোগত উত্তৰ পূৰ্বাঞ্চলৰ বৃহৎ প্ৰাকৃতিক সম্পদৰাজিৰ মালিক ক্ষুদ্ৰ জাতিসত্বা সমূহক শোষন কৰি আহিছে। থলুৱা ভূমিপুত্ৰ লাখ লাখ নিবনুৱা যুৱক যুৱতীয়ে সামান্য এটা সংস্থানৰ বাবে হাঁহাকাৰ কৰি ফুৰিছে। অথচ এই অঞ্চলৰ অতি মূল্যবান সম্পদৰাজিৰ ওপৰত ভিত্তি কৰি বৰ্তমান অৱস্থাত শাসক আৰু শোষক শ্ৰেণীয়ে ব্যাপক উদ্যোগীকৰণ নকৰে। এই অঞ্চলৰ বেহা-বেপাৰ, বাণিজ্য, ঠিকা-ঠুকলী সকলো শাসক শ্ৰেণীৰ প্ৰত্যক্ষ অনুগ্ৰহত বাহিৰৰ মানুহৰ হাততে আৱদ্ধ। বাস্তৱ ক্ষেত্ৰত কংগ্ৰেছী নেতৃত্বই যোৱা ৫০ বছৰে পৰিকল্পিত অৰ্থনৈতিক উন্নয়ণ আঁচনিবোৰৰ ৰূপায়ণৰ নামত থলুৱা লোকক বঞ্চিত কৰি দেশৰ অন্য অঞ্চলৰ আৰু বাহিৰৰ দেশৰ সমস্যা এই অঞ্চলত সমাধান কৰাৰ দুৱাৰ মুকলি কৰিলে। অসমত চৰকাৰী আৰু বেচৰকাৰী খণ্ডত দুই-চাৰিটা উদ্যোগ ইতিমধ্যে গঢ় লৈ উঠিছে। প্ৰায় ১৫০ বছৰৰ পূৰ্বেই চাহ শিল্প অসমত প্ৰতিস্থিত হৈছিল তেল আৰু কয়লাও অসমৰ উল্লেখযোগ্য খনিজ সম্পদ। যোৱা সুদীৰ্ঘ সময় ছোৱাত ধনতান্ত্ৰিক বিকাশৰ পথলৈ অসমীয়া সমাজে বহুদূৰ আগবাঢ়ি যাব লাগিছিল। কিন্তু অসমীয়া সমাজত পুঁজিপতি শ্ৰেণী আৰু বনুৱা শ্ৰেণী গঢ় উঠাৰ পৰিবৰ্তে ধনতন্ত্ৰৰ বিকাশৰ গতি হৈছিল অতি লেহেম। ৰাজ্যখনৰ বাহিৰৰ পৰা যন্ত্ৰপাতি, বনুৱা আদি লৈ আহি ইয়াত সম্পদ সৃষ্টি কৰি বাহিৰলৈ ৰপ্তানি কৰা হয়। ফল স্বৰূপে অসমীয়া সমাজ ইয়াৰ দ্বাৰা প্ৰভাৱিত হোৱা নাই। আনকি ব্যৱসায়ৰ সৰহভাগ লেন দেন ৰাজ্যৰ বাহিৰত হোৱা বাবে অসমৰ ৰাইজ অলপো লাভবান হোৱা নাই।

অসমীয় ভাষী সকলৰ লগত জনজাতীয় সকলক সম্পৰ্ক কেনে হব সি বহুতৰ বাবে উদ্বেগৰ বিষয় কিছু দিনলৈকে বৰ্ণহিন্দু এচাম অসমীয়াৰ মনত জনজাতীয় সকলৰ প্ৰতি এক হিনাত্মিকা আৰু অৱজ্ঞাৰ ভাৱ আছিল। তেওঁলোকে পাহৰি যায় যে তথাকথিত অসমীয়া জনগোষ্ঠীৰ শতকৰা আশী জনেই জনজাতীয় মূলৰ পৰা অহা। তাগালিয়েই এড্ৱাৰ্ড কেইটে তেওঁৰ Census Reportত লক্ষ্য কৰি এই বিষয়ে উল্লেখ কৰিছিল। তেওঁ "আৱাহনৰ" ২য় বছৰ ১১শ সংখ্যাত বৃহৎ জাতি সুলভ দম্ভৰ বিৰুদ্ধে সতৰ্কবাণী শুনাইছিল এই দৰে "অসমৰ অত্যাচাৰিত আৰু অৱনত জাতি সমূহক আন আন উন্নত জাতিৰ লগত একে আসনতে উঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজৰ নেতা সকলে এতিয়াৰ পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতি সকলৰ বুকুত বিদ্ৰোহৰ অগ্নি জ্বলাই অসমত এটা গৃহকন্দলৰ বাঁহ সাজি দিয়া হব।"

অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ সংগ্ৰামে বৃহৎ জাতিৰ জাতীয় দম্ভ, উপনিবেশিকতা আৰু শোষক শ্ৰেণীৰ পৰাজয় ঘটাওক। আমাৰ সংগ্ৰাম হোক বিপ্লৱী কাৰ্য্যক্ৰমত এক বিৰাট শক্তি। বিপ্লৱী শক্তিৰ ঐক্য আৰু সংহতিৰ ওপৰতেই জাতীয় মুক্তি আন্দোলনৰ বিজয় নিৰ্ভৰ কৰিছে। বৰ্তমান জাতীয় চেতনাৰে উদ্বোদ্ধ জনসাধাৰণৰ ওপৰত শিক্ষামূলক প্ৰভাৱ বিস্তাৰ কৰি প্ৰকাশ্য ৰাজনৈতিক অভিযান বাস্তৱত ৰূপ দিব লাগে।



# জাতীয় মুক্তি বিপ্লৱত গণ সংগঠনৰ প্ৰয়োজনীয়তা

দীনেশ কুমাৰ বৰা

বহুতো তত্ববিদে অসমীয়াক এটা স্বকীয়া জাতি হিচাবে স্বীকৃতি দিব নোখোজে। ই তাত্বিক যান্ত্ৰিকতা, ঐতিহাসিক জ্ঞানশূন্যতা আৰু অবৈজ্ঞানিক মনোভাৱৰ বাহিৰে আন একো নহয়। অসমীয়াৰ এটা স্বকীয়া ভাষা আছে, এটা বিকাশিত আৰু বিকাশমুখী সংস্কৃতি আছে, এটা আৰ্থসামাজিক ভেটি আছে, এটা নিৰ্দ্দিষ্ট চৰিত্ৰ বিশিষ্ট জনসমষ্টি বসতিপূৰ্ণ অবিচ্ছিন্ন অঞ্চল আছে আৰু এটি জাতিগত চেতনা বা মানসিক গঢ় আছে।

অসমীয়া এটা পূৰ্ণাঙ্গ জাতি। অসমৰ বাবে বহনীয়া কলা-সাংস্কৃতিক উপাদান সমূহ বুকুত সাৱটি লৈ জটিল আৰু সংকটপূৰ্ণ ঐতিহাসিক যুগতো এটা স্বকীয়া অস্তিত্ব ৰজাই ৰখাৰ বাবে যি জাতিগত আগ্ৰহ বলিষ্ঠ ৰূপত প্ৰকাশ পাইছে সি প্ৰমাণ কৰে যে এটা স্বকীয় জাতি হিচাবে জীয়াই থকাৰ বাবে যি কোনো আন্দোলনৰ সন্মুখীন হবলৈ জাতিটো প্ৰস্তুত।

অসমীয়া জাতিৰ বিকাশৰ বাবে যি নূন্যতম আধাৰশীলাৰ প্ৰয়োজন তাৰ নিৰ্মাণ কাৰ্য্য সপ্তদশ শতিকা মানতে সম্পুৰ্ণ হৈছিল। অসমীয়া জাতিৰ প্ৰধান উপাদান অসমীয়া ভাষাই যোৱা পোন্ধৰ শ বছৰৰ ভিতৰত বিকাশ লাভ কৰিছে।

১৯৪৭ চনত প্ৰতিক্ৰিশীল ধৰ্মভিত্তিক দ্বি জাতি তত্বৰ ভিত্তিত ভাৰত উপনিবেশক দ্বিখণ্ডিত কৰি বৃটিছে যি স্বাধীনতা (?) দিলে সেই স্বাধীনতা বৃটিছে নিজৰ শোষণৰ স্বাৰ্থ অটুট ৰাখিবৰ বাবে বহতীয়া বৃহৎ পুঁজিপতি মহাজন, ব্যৱসায়ী, ভূস্বামী শক্তিক ঐতিহাসিক ভাবে দিয়া সীমিত ৰাজনৈতিক স্বাধীনতাৰ বাহিৰে একো নহয়। দ্বি-জাতি তত্ব অনুযায়ী ভাৰত পাকিস্তান বিভক্ত কৰি বৃটিছ আৰু বৃটিছৰ দালালহঁতে ভাৰত উপমহাদেশৰ স্বাধীনতা কামী জনগণকে প্ৰতাৰনা কৰিলে।

নামত যুক্তৰাষ্ট্ৰ, প্ৰকৃতাৰ্থত ভাৰত এখন কেন্দ্ৰীভূত ( Centralised ) বা একক্যেন্দ্ৰিক (Unitary) ৰাষ্ট্ৰৰ বাহিৰে আন একো নহয়। মহান ভাৰতীয়, এক জাতি তত্বৰ ভিত্তিত ভাৰত উল্লেখ কৰা শোষকৰ ছত্ৰছায়াত বৃহৎ জাতিৰ অৱদমন, শোষণ, নিস্পেষণ আৰু লুণ্ঠণ কৰিব ধৰিলে। যুক্ত ৰাষ্ট্ৰৰ নামাৱলী গাতলৈ দিল্লী কেন্দ্ৰিক ৰাষ্ট্ৰ যন্ত্ৰই জাতি গোষ্ঠী সমূহৰ স্বাধীনতা চিৰদিনৰ বাবে লুপ্ত কৰি বৃহৎ পুঁজিপতি আৰু বৃহৎ জাতিৰ স্বাৰ্থৰ হকে হিন্দী সম্প্ৰসাৰণ বাদক আগুৱাই জাতি গোষ্ঠী সমূহৰ মাজত অনৈক্যৰ বীজ সিঁচি বিভিন্ন ধৰণৰ চক্ৰান্তৰ উপৰিও পুলিচ মিলেটাৰি জাপি দিলে আৰু ইয়াৰ ফল স্বৰূপেই আজি ভাৰতবৰ্ষৰ প্ৰায় সকলো অৱদমিত লুণ্ঠিত, শোষিত জাতি সমূহ মূৰ ডাঙি উঠিছে তেওঁলোকৰ নিজৰ সঁচা অৰ্থত স্বাধীনতা তথা জাতীয় মুক্তিৰ বাবে।

অসমৰ সমস্যাই এই ক্ষেত্ৰত আৰু জটিল। অসমৰ তথা উত্তৰ পূৰ্বাঞ্চল ইংৰাজৰ সাম্ৰাজ্যত শেহতীয়াকৈ সোমাইছিল। উত্তৰ পূৰ্বাঞ্চলৰ জাতি আৰু জাতিসত্বা সমূহক বলপূৰ্বক ভাৱে এক জাতিতত্বৰ মাজত সুমুৱাই অবাধে শোষণ,

OKDISCD

নিস্পেষণ চলাই আছে। শোষণৰ বজাৰ জীয়াই ৰাখিবলৈ পুলিচ মেলেটাৰী, সৈন্য বাহিনীৰ নির্য্যাতন জাপি দিছে। অন্যহাতে এই অঞ্চলত বিদেশী আৰু বহিৰাগতৰ বাবে ৰম্য ভূমিত পৰিণত কৰি তুলিছে ভাৰতীয় বৃহৎ পুঁজিপতি আৰু শোষক শ্রেণীৰ স্বার্থত যাৰ ফলত উত্তৰ পূর্বাঞ্চলত জাতি আৰু জাতি সত্তা সমূহৰ মুক্তিৰ প্ৰৱনতা আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰ বিচাৰি গঢ়ি উঠা আন্দোলন তীব্ৰতৰ হৈ পৰিছে

এতিয়া প্ৰশ্ন হৈছে এই নিস্পেষিত জাতি সমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ তথা জাতীয় মুক্তিৰ বাবে গঢ়ি উটা আন্দোলনৰ ভূমিকা সম্পৰ্কে। অসমৰ এই জটিল পৰিস্থিতিত অসমৰ যুৱ শক্তিয়েই স্বকীয় বৈশিষ্ঠ সম্পৰ্কে বিভিন্ন জন-গোষ্ঠী. অলেখ সম্প্ৰদায়ৰ সমন্বয়ত গঢ়ি উঠা নিস্পেষিত অসমীয়া জাতিক আপোাচহীন সংগ্ৰামৰ যোগেদি জাতীয় মুক্তি পথলৈ আগবঢ়াই লৈ যাব লাগিব। কিন্তু এই মুক্তি আন্দোলন নির্ভৰ কৰিব প্ৰকৃত বিপ্লৱী তত্বৰ ওপৰত। কাৰণ শ্ৰেণী সংগ্ৰামৰ জৰিয়তে স্থিতাৱস্থাৰ আমূল পৰিবৰ্তন অবিহনে জাতীয় মুক্তিৰ পথ প্ৰসস্ত হব পাৰিব বুলি আমি নাভাবো। সেয়েহে এই সকলোবোৰ নির্ভৰ কৰিব সংগঠন সমূহৰ শ্ৰেণী চৰিত্ৰৰ অৱস্থান আৰু দার্শনিক বিজ্ঞান সম্মত ভেটিৰ ওপৰত।

এতিয়া প্ৰশ্ন হল জাতীয় মুক্তি বিপ্লৱত গণ সংগঠনৰ প্ৰয়োজন আছে নে নাই। এক কথাত আমি কব বিচাৰো যে জনগণৰ মাজত গণ সংগঠনৰ অবিহনে জাতীয় মুক্তি আন্দোলন গঢ়ি তোলা সম্ভৱ নহয়। কাৰণ জনগণেই সমাজ পৰিবৰ্ত্তনৰ সংগ্ৰামৰ মূল চালিকা শক্তি। সেয়ে মূল লক্ষ্যত উপনিত হবৰ বাবে শ্ৰেণী ভিত্তিক, সঠিক আদর্শ আৰু লক্ষ্যৰ ওপৰত প্ৰতিস্থিত গণ সংগঠনৰ প্ৰয়োজন। আমি ইতিহাসৰ পাত লুটিয়ালে দেখা পাওঁ যে স-সস্ত্ৰ সংগ্ৰামৰ দ্বাৰা চীন, ভিয়েটনাম, কিউবান সকলৰ হাতত আধুনিক যুদ্ধাস্ত্ৰৰে লম্প-জম্প কৰা মদমত্ত সাম্ৰাজ্যবাদী শক্তিয়ে পৰাজয় বৰণ কৰিব লগা হৈছিল। কিন্তু ইয়াৰ বিপৰীতে মালয় ফিলিপাইনৰ বাৰ্মা, বলিভিয়া আদিয়ে সাম্ৰাজ্যবাদী শক্তিৰ হাতত হাৰ মানিব লগা হৈছিল। ইয়াৰ কাৰণ সমূহ বিচাৰ কৰিলে দেখা যায় যে, জনগণক বিপ্লৱৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগ আৰু সচেতন কৰি সংগঠিত কৰাৰ ক্ষেত্ৰ ও নেতৃত্বৰ বিফলতা।

বৈপ্লৱিক পৰিস্থিতি আৰু প্ৰস্তুতি নোহোৱাকৈ আৰু শ্ৰমিক কৃষক তথা অন্যান্য নিপীড়িত শ্ৰেণীক জড়িত কৰি বৈপ্লৱিক শিক্ষা আৰু সংগ্ৰামৰ জৰিয়তে সিবিলাকক শিক্ষিত আৰু বিপ্লৱী কৰি গঢ়ি নোতোলাকৈ কেৱল জনগণৰ এক্যাংশ বা মধ্যবিত্ত শ্ৰেণীৰ এক্যাংশৰ দ্বাৰা বিপ্লৱ সফল কৰাৰ চিন্তা উগ্ৰবামপন্থী তথা সন্ত্ৰাসবাদী প্ৰৱনতাহে বৃদ্ধি পাব। সেয়ে আমি ভাবো জনগণৰ মাজত বিপ্লৱৰ প্ৰয়োজনত শ্ৰেণী ভিত্তিক. সঠিক আদর্শ আৰু লক্ষ্য ওপৰত প্ৰতিস্থিত গণ সংগঠণ গঢ়ি তোলা অতি প্ৰয়োজন।

এতিয়া আমি আলোচনা কৰো যে গণ-সংগঠণ সমূহ কি দৰে গঢ়ি তুলিব পাৰি।

১) কৃষক সংগঠন ২) মহিলা সংগঠন ৩) যুৱ সংগঠন ৪) ছাত্ৰ সংগঠন ৫) শ্ৰমিক সংগঠন।

সামূহিক সমস্যা :— কৃষক সকলৰ সাধাৰণ ( Common demand ) সমস্যা সমূহৰ ওপৰত কৃষক সংগঠিত কৰি গণ-আন্দোলন গঢ়ি তুলিব পাৰি যেনে— ভূমি সমস্যা— স্থায়ী পট্টা দিয়া, খাজনা মুকুব কৰা, কৃষি ঋণ মাফ কৰা, ৰেহাই মূল্যত কৃষকক সাৰ যোগান ধৰা, কৃষি উৎপাদিত খাদ্য সমূহক মূল্য মান পোটেই বছৰৰ বাবে একে মান নির্ণয়তা, কৃষি উৎপাদিত সম্পদ যিবোৰ শিল্পৰ কেচামাল হিচাবে ব্যৱহাৰ হয় তাৰ সঠিক মূল্য নিৰূপন কৰা, খেতি পথাৰত পানী যোগান ব্যৱস্থা কৰা, গাওঁ সমূহত বিজুলী যোগান ধৰা বাট-পথ মেৰামতি কৰা আদি কৃষকৰ বিভিন্ন সমস্যা সমূহৰ ওপৰত গণ-আন্দোলন আমি গঢ়ি তুলিব পাৰো। সেইদৰে মহিলা যুৱক সকলৰ মাজত তেওঁলোকৰ মৌলিক সমস্যা সমূহৰ ওপৰত আন্দোলন গঢ়ি তুলিব পাৰি

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ক্ষেত্ৰত বেংক, বীমা নিগম, ৰেল, টেলিগ্ৰাফ, ডাক-তেল-গেচ আদি বিভাগত অসমৰ থলুৱা লোকক উপেক্ষা কৰাৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিব পৰা হোৱা নাই। আমি ইয়াৰ ওপৰত যুৱক সকলৰ সংগঠিত কৰি আন্দোলন পথলৈ আনিব পাৰো।

এতিয়াৰ এটি মৌলিক প্ৰশ্ন হ'ল অসমৰ বিভিন্ন নৃ-গোষ্ঠী/জাতি সত্বা সমূহে বৰ্ত্তমানে আত্মনিয়ন্ত্ৰণ, স্বায়ত্বশাসন, স্বায়ত্ব শাসিত ৰাজ্য গঠনৰ নামত স্বকীয়া স্বকীয়া আন্দোলন গঢ়ি তুলিছে। কিন্তু সকলোৰে মুল লক্ষ্য এটাই শোষন বঞ্চনাৰ পৰা নিজকে মুক্ত কৰা। কিন্তু এই আন্দোলন সমূহৰ শুদ্ধ তাত্বিক ব্যাখ্যা/ বিশ্লেষণ কৰিব নোৱাৰাৰ ফলত একে মৰ্য্যাদাৰ জাতি গোষ্ঠি সমূহৰ মাজত দ্বন্দৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত আমি সকলোৱে মিলিত হৈ বৰ্ত্তমান স্তৰত মৌলিক (Common) কিছু দাবীৰ ভিত্তিত ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব আৰু এই গণ সংগ্ৰামৰ পাঁকু গঢ়ি তুলিব পৰা যাব আৰু মূল জাতীয় মুক্তি সংগ্ৰামৰ ফালে আগুৱাই যাবলৈ সহজ হব।



## তোমালোক আকৌ আহিবা....... .......

অতি আদৰৰ হে বীৰ শ্বহীদ সকল, তোমালোকৰ ত্যাগ, সাহস, দেশপ্ৰেম আৰু পৱিত্ৰতাৰ উজ্বল পোহৰত মই স্তব্ধ হৈছো। মই আশা কৰিছো, তোমালোক আকৌ অহিবা। আগতকৈ দুগুণ শতগুণ অনন্তগুণ উজ্বলতাৰে. সাহসেৰে আৰু লগত আনিবা প্ৰলয়ৰ হুংকাৰ, উল্কাপাত, বজ্ৰপাত, শিলাবৃষ্টি আৰু সংহাৰ মূৰ্ত্তিৰে একালৰ পৰা সংহাৰ কৰি যাবা বৰ্বৰ দানৱৰ স্বৰ্ণলংকা আৰু স্থাপন কৰিবা অভিধানৰ তলিত শামুকৰ খোলাৰ দৰে পৰি থকা সাম্য, মৈত্ৰী সমতা, দয়া, ক্ষমা, মমতা, মানৱতা, সমন্বয়, অহিংসা, আদি শব্দবোৰ

শ্ৰীৰামচন্দ্ৰ গোস্বামী, লংকা

---

কলমে লিখা অসত্য বোৰেৰে তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি তেজৰ ঋণ তেজৰেই পৰিশোধ কৰিব লাগিব নহ'লে যিমানে পলম হ'ব সিমানে সুদৰ পৰিমাণ বাঢ়ি যাব

★ সুচন

## কবিতা

### প্ৰতিবাদী কণ্ঠৰ হত্যাত

অংকুৰ তামুলী ফুকন

এটি প্ৰতিবাদী কণ্ঠক ষড়যন্ত্ৰৰে
হত্যা কৰা হ'ল।
কথাটো সকলোৱে জানে,
কিন্তু—
কোনেও নক'লে।
দেশৰ উত্তৰ পুৰুষৰ বাবে—
এনেদৰেই—
আমাৰ মাজৰ পৰা
হেৰাই গ'ল—
বহু প্ৰতিবাদী কণ্ঠ
হে'ৰ অসমীয়া ?
জাগি উঠ, জাগি উঠ ;
এবাৰ লুটিয়াই চা—
সোণালী ইতিহাসৰ
প্ৰতিখিলা পাত
আৰু গঢ়ি তোল ঐক্যবদ্ধ
গণ প্ৰতিৰোধ !

### "স্মৃতিৰ গাঁহ বুটলি"

● শ্ৰীলক্ষ্মী বৰা

অনন্ত পথৰ
আমি যাত্ৰী
আহি আছো
ধীৰ পদক্ষেপেৰে,
আৰু গৈ থাকিম।
একেই গতিৰে
আমি
হেৰাই যাওঁ
নীল আকাশৰ তলতে
আৰু খোজবোৰ ?
বৈ যায়
আমাৰ সময়ৰ বালিত।
আজি অতীতবোৰ
হয়
নতুনৰ নীল।
সবাৰে
হৃদয়ে হৃদয়ে
অনুভৱ কৰো মাথোঁ
সোঁৱৰণিৰ বীণ।

### ★ শান্তিৰ ৰাজ্যত ★

অৰূপ শইকীয়া

যাবৰ বেলিকা সি কৈছিল,
"হে পৃথিৱী, বিদায় !
আকৌ আহিব লাগিব।"
কালিলৈ বিৰাট সমাৰেশ হব,
তাত আমাৰ ৰক্ষাকৰ্তা,
জাতিৰ নেতা শান্তিকামী সকলে
মিঠা মিঠা বক্তৃতাৰে
ফুলজাৰি মাৰিব
দেশ উন্নতিৰ পথত,
কেউফালে শান্তিৰ জোৱাৰ।
অথচ, আজি মোৰ দেউতাক বন্দুকৰ কুণ্ডাৰে
খুন্দিয়াই বাকৰুদ্ধ কৰিলে,
কালিলৈ মাক বিবস্ত্ৰা কৰিব,
আৰু পৰহিলৈ মোৰ ভনীক .....
এই শান্তিৰ ৰাজ্যতে !
তাৰ পাছত ......... ?

# অচিৰেই এই হত্যা বন্ধ হওক

তোষেশ্বৰ তামুলী ফুকন

আমাৰ দৰে সকলোৰোৰ অনুভূতি প্ৰৱন মানুহৰ বাবে প্ৰতিটো মৃত্যু, প্ৰতিটো হত্যাই বেদনাদায়ক, দুখৰ অথাই সাগৰ সেয়েহে আমাৰ নিচেই ওচৰৰ ভতিজা, ভাতৃ প্ৰতীম পদুমৰ পৰা ধ্ৰুৱজ্যোতি, অনিল, শিব, তপন আদি প্ৰতিজনৰ মৃত্যু আমাৰ বাবে একোদাল বিষাদৰ মেল। এই মৃত্যুয়ে প্ৰতি ক্ষণে, ক্ষণে আমাৰ চকুৰ টোপনি কাঢ়ি নিয়ে আৰু এক অনিশ্চিত ভৱিষ্যতৰ বাবে এপ্লানী অনন্ত প্ৰশ্নই অহৰহ আমাৰ কানত বাজি আছে, এই মৃত্যুৰ শেষ ক'ত ? অসমীয়া জাতিৰ এটা সম্ভাবনা পূৰ্ণ প্ৰজন্ম ইমানতে ৰক্ষা পাবনে ? ইত্যাদি ইত্যাদি ..................।

আমাৰ ভালদৰে মনত পৰে, প্ৰায় ৬০ চন লৈকে অসমীয়া মানুহে কোনো হত্যাৰ নাম শুনিলেই শিয়াৰী উঠে। কাৰোবাৰ ঘৰত জুই দিয়াৰ কথা শুনিলেই মহাপাপ বুলি চিঞৰী উঠে। তথাপিও কিন্তু ১৯৬০ৰ ভাষা আন্দোলনৰ পৰা ১৯৭২ৰ মাধ্যম আন্দোলন, মাজত তেল শোধনাগাৰ আন্দোলনত আমি আমাৰ বহু সহোদৰক হেৰুৱালোঁ। বহু হেৰুৱাই পালোঁ সামান্য। ইয়াৰ পাচতে ১৯৭৯ৰ পৰা ১৯৮৫ পৰ্য্যন্ত ৬ বছৰীয়া বিদেশী খেদা আন্দোলনত আমি ৬টা বছৰতে ৫০০ জনৰো বেছিক অকালতে হেৰুৱালোঁ। কিন্তু তাৰ বিনিময়ত পালোঁ কি তাকো বি াৰ কৰিবৰ হ'ল পাওঁ। মাত্ৰ কোনো নহৰা কোনো নিৰ্জিকা অসম চুক্তি বিনিময়ত আমি হেৰুৱা জনৰ সমপৰিমাণৰ বিদেশী ওলাই যোৱা হলেও কৰলৈ হ'ল হেতেন

মানুহ মৰা বুলিলে হিয়াঢাকুৰী কন্দা হত্যা বুলিলে ৰৌ ৰৌ নৰকৰ কথা বুলি সাত জাপ মৰা অসমীয়া জাতিৰ এটা প্ৰজন্মই, দেশৰ উজ্জ্বল সম্ভাবনাময় নতুন পুৰুষে হাতত বন্দুক তুলি লৈ এক কঠিন যাত্ৰা পথেৰে আগ-বাঢ়ি গ'ল। এই কথা বেঙাইও বুজি পায় যে বন্দুক কোনেও চখত হাতত তুলিলৈ জীৱন মৃত্যুৰ কঠিন পথেৰে আগ নাবাঢ়ে। আৰু ইও সঁচা যে অসমৰ নতুন প্ৰজন্মই বন্দুক তুলি লবলৈ ৰাজ্য হোৱাৰ পৰিস্থিতি এদিনতে সৃষ্টি হোৱা নাই। বহু দিনৰ পুঞ্জিভূত ক্ষোভ, নোপোৱাৰ বেদনা, গণতন্ত্ৰৰ পথ বন্ধ হৈ যোৱাৰ পৰিস্থিতিতেই যে এচামে বন্দুক হাতত তুলি লৈছে তাক দোহৰাৰ প্ৰয়োজন নাই।

হাতত বন্দুক তুলি লোৱা এই নতুনপ্ৰজন্ম-টোৰ বজ্ৰ কঠিন পদ যাত্ৰাটোত এই পৰ্য্যন্ত আমি বহুজনক অকালতে হেৰুৱালোঁ। যি সকল আ-ছিল অসমখনক নতুনকৈ গঢ়াৰ; অসমৰ সৰ্ব্বতো

OKDISCD

প্ৰকাৰ উন্নতি কামনা কৰা, আমি জীয়াই থকা বিলাকতকৈ ৰাহু বেচি গুন অসমখনক প্ৰান ভৰি ভালপোৱা সচাঁ দেশপ্ৰেমিক ৰাষ্ট্ৰ সন্ত্ৰাসে অসমৰ নগৰ-চহৰ গাওঁ-ভুঁই চানিধৰি অসমীয়া জাতিৰ জীৱন বিপন্ন কৰি তুলিলে। তাৰ লগে লগে চলিল ব্যক্তি সন্ত্ৰাস ৰাষ্ট্ৰ সন্ত্ৰাস আৰু ব্যক্তি সন্ত্ৰাস প্ৰতিপক্ষৰ ৰাবে প্ৰতিপক্ষ অধিক ক্ষতি কাৰক কিন্তু আমাৰ ৰাৰে দুয়োটো সন্ত্ৰা সেই ইটো সিটোৰ পৰিপূৰক তথা ইটোৱে সিটোৰ জন্ম দিয়ে

আন এক দিশৰ প্ৰতি অতি সুক্ষ্মভাৱে লক্ষ্য কৰিলে দেখা পোৱা যায় যে আমি যিমানেই ফোপজহি নামাৰো কিয় আহোমৰ দিনৰ পৰাৰ আৰম্ভহোৱা অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া চলি থকা বুলি; বাস্তৱতে কিন্তু অসমীয়া জাতি গঠন প্ৰক্ৰিয়া, বৰ্ত্তমান স্থবিৰ হৈ প্ৰক্ৰিয়াটো ভগ্নপ্ৰায় আজি যেন অসমীয়া কোনোৱেই নহয় তাৰ পৰিপ্ৰেক্ষিততেই আৰু দিল্লিৰ মচনদনৰ সামন্ত-তান্ত্ৰিক প্ৰভুসকলৰ কৃপাত বড়ো, ৰাভা, তিয়া মিচিং কাৰবি, ডিমাছা আদি জনগোষ্ঠি সমূহ নিজাৰবিয়া স্বকীয়া অৱস্থান লৈছে। এই পৰি-প্ৰেক্ষিত এই সকলক অসমীয়াৰ মূলসুতি লৈ আনিব পৰাটো তিমিৰাছন্ন অসম আৰু অসমীয়া কোন আজি বিতৰ্কৰ বিষয়লৈ নামি গৈছে। এনে এক পৰিস্থিতিত স্বাধীন অসমৰ প্ৰশ্নও কি দৰে, কাক লৈ, কোন ভৌগলিক সীমা-ৰেখাৰ ভিতৰত সমাধান হব সি আমাৰ মতে কিন্তু প্ৰধান চিন্তাৰ বিষয়।

ইকালে শাসক দলৰ বিষয়টোলৈ আহিলে কেন্দ্ৰই হওক বা ৰাজ্যই হওক, কংগ্ৰেছ, বি জে পি, মৰ্চা বা এ জি পিৰ দৰে আঞ্চলিক দলেও হওক, চৰিত্ৰ স্বকীয়া বুলিলে ভুল কৰা হ'ব। গাদীৰ মোহৰ ক্ষেত্ৰত ৰাষ্ট্ৰিয় দল বা আঞ্চলিক দল এটা টকাৰ ইপিঠি আৰু সিপিঠি যি কোনো দলৰ চৰকাৰৰ বাবে গদীৰক্ষা মোক্ষ আৰু দেশ ৰক্ষা গৌণ বুলি ভাৰতীয় সংসদী গণতন্ত্ৰৰ্ত প্ৰমাণিত হৈছে কাৰণ অসমত কংগ্ৰেছ (ই) চৰকাৰে নিষিদ্ধ সংগঠনৰ লগত আলোচনাৰ দুৱাৰ খোলা ৰাখি যি দৰে সেনাৰ অভিযানো অব্যাহত ৰাখিছিল ; অগপ চৰকাৰেও সেই নীতি কেই অব্যাহত খোৰকুত পৰিছে। আগত আলোচনাৰ টোপ ৰাখি সেনাৰ অভি-যান আৰু শহতীয়াকৈ বৈঠালাংচু কোকা পাহাৰৰ ঘটনাৰ পৰিপ্ৰেক্ষিত বহুতে ইয়াক আলোচনাৰ ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছাৰ অভাৱৰেই পৰিণতি বুলি অভিযোগ কৰিছে। ৰহুতে ৰিদ্ৰোহী সংগঠনকো এনে দায়ৰ ৰাহি-ৰত ৰখা নাই। যি কি নহক এনে বোৰ বিতৰ্ক কোন দোষী কোননিৰ্দ্দোষী, তাকলৈ বাক বিতণ্ডাৰে পানী ঘোলা নকৰি এই হত্যা, হিংসা প্ৰতিহিংসা বন্ধ কৰিবৰ বাবে এক যৌথ প্ৰচেষ্টা লোৱাৰ প্ৰয়োজন চৰকাৰেও বন্দুক সামৰক, সামৰিক বাহিনীক বেৰেকলৈ ঘুৰাই পঠাওক আৰু বিদ্ৰোহী সকলেও অসমক জনগণৰ সামূহিক শান্তিৰ স্বাৰ্থতে তেওঁলোকৰ কৰ্ম পন্থাৰ বিষয়ে পুনৰ বিবেচনা কৰা ভাল বুলি আমি অনুভৱ কৰো। স্বাধীন অসমৰ প্ৰশ্নত মুকলি আলোচনাৰে জনগণকো সামৰিক লোৱা ভাল। কাৰন স্বাধীন অসমৰ প্ৰশ্ন মানেই যে অসম ভাৰতৰ পৰা সুকীয়াহৈ পৰিব সেই শংকা সন্দেহ কৰাৰো কোনো ভিত্তি নাই।

ইফালে বিদ্ৰোহী সকলেও স্বাধীনোত্তৰ কালৰ ভাৰতৰ বিভিন্ন ঠাইত গঢ়ি উঠা সমগ্ৰ



সংগ্ৰামৰ ইতিহাস গভীৰ ভাৱে অধ্যয়ন কৰক অধ্যয়ণ কৰক নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা নক্সাল পন্থী, খালিস্থানী, কাশ্মিৰী উগ্ৰপন্থীৰ আন্দোলনৰ ইতিহাস এই সমূহ আন্দোলনৰ ফলাফল বা অগ্ৰগতি চালেই ধৰা পৰিব আৰ্থ সামাজিক ৰাজনৈতিক পৰিবৰ্তনৰ ক্ষেত্ৰত বন্দুকৰ প্ৰাসংগিকতা কিমান তাৰ লগে লগে চৰকাৰেও কেৱল প্ৰেছমেল, বাতৰিকাকতৰ বিবৃতিতে সীমাবদ্ধ নাথাকি এই যুবক সকলে হাতত অস্ত্ৰ তুলিলৈ এক বজ্ৰ কঠিন পথেৰে খোজ দিব লগা হোৱা পৰিস্থিতিৰ আৰু তাৰ কাৰণ সমূহ অতি মুক্তভাবে পৰ্য্যালোচনা কৰি চোৱাৰ চেষ্টা কৰক। শেষত দুয়োপক্ষকে পুনৰ কওঁ হত্যা কোনেও কামনা নকৰে আৰু প্ৰতি-টো মৃত্যুয়েই বেদনাৰ অথাই সাগৰ। সকলো হত্যা, হিংসা প্ৰতিহিংসাৰ মূলোৎচ্ছেদ হোৱাটো ৱেই আমাৰ কাম্য।

# কবিতা

## ।। নতুন দিনৰ প্ৰতিশ্ৰুতি ।।

জগন্নাথ

মুষ্টিবদ্ধ সহস্ৰ প্ৰতিশ্ৰুতিৰ মাজতো
সুবিধাবাদীৰ পয়োভৰ।
"চাইৰেণহঁতৰ" শ্ৰুতি মধুৰ কণ্ঠৰ আঁৰতো
ভয়ঙ্কৰী "ছীলাৰ" লোলুপ দৃষ্টি।
সিহঁতৰ বাবে—
মানুহৰ আশা আকাঙক্ষাবোৰ
ছাইদানীৰ ছাই।
আৰু
মুক্তিপনৰে গৰজি উঠা অগ্নিকণ্ঠবোৰ
ডবা খেলৰ গুটি।
এনেদিন আহিব, যি দিনা
তেজ বুলোৱা পতাকা খনৰ কণ্ঠ খুলিব।
সংকীৰ্ণ দিগন্ত বৰ্দ্ধিত হব,
নৰমুণ্ডৰ দুৰন্ত বাসনাত
শান্তিপ্ৰিয় মানুহবোৰৰ
অমোঘ শক্তি জাগ্ৰত হব।

## পদুম

শ্ৰীৰাতুল বৰা (মুকুটা)

পদুম বোকাত ফুলে
বোকাৰ পদুম বোকাতেই লয়
জন্ম পুনৰ বোকাতেই হয়
কোনোবাই ছিঙক বা নিছিঙক
পদুম ফুলাৰ বতৰত পদুম ফুলিবই।

## মৃত্যু

বুদ্ধ বৰপাত্ৰ গোঁহাই

মৃত্যু মোৰ বন্ধু
অপেক্ষাৰত তেওঁ
স্নেহৰ শুকুলা হিয়াত
আদৰ্শৰ সুহৃদ তেওঁ
নিঃশব্দে চিএঞৰে
হৃদয়ৰ নিৰৱ প্ৰান্তত
তেওঁৰ নিথৰ চকুত
মোৰ কমৰেড সপোনৰ
প্ৰতিবিম্ব।

OKDISCD

# জাতিৰ দুৰ্য্যোগত অসমীয়াই আত্মসমালোচনা কৰক

ভাৰত তামুলী ফুকন

ভাৰতীয় সংবিধানে বহুজাতিৰ স্বীকৃতি প্ৰদান কৰা নাই। ভাৰতীয় ( কাল্পনিক ) নামৰ একক জাতিৰ স্বীকৃত ভাৰতীয় সংবিধান ভাৰতবৰ্ষত অসমীয়া, বঙালী, তামিল, তেলেগু, উড়ীয়া আদি বহুজাতিয়ে বসবাস কৰি আছে। সেয়ে ভাৰতবৰ্ষৰ সংবিধানো বহুজাতিৰ ঐতিহাসিক পটভূমিৰ ওপৰত ভিত্তি কৰি প্ৰণয়ন কৰিব লাগিছিল। তেনে নোহোৱাৰ বাবেই ভাৰতীয় সংবিধানৰ আমূল পৰিবৰ্তন আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তা সমূহৰ আত্মনিয়ন্ত্ৰনৰ প্ৰশ্নটো ৰাজনৈতিক প্ৰশ্ন হিচাবে ঠিয় দিছে ইয়াৰ ৰাজনৈতিক সমাধান হোৱাৰ বাহিৰে আন উপায় আছে বুলি আমাৰ ধাৰনা নহয়। লাঠি, গুলি তথা গণতান্ত্ৰিক পৰম্পৰা বিৰোধী কলা আইন সমূহ বলপূৰ্ব্বক ভাবে জাপি দিলে ফল বিষম হোৱাৰ হে শংকা বেছি।

ভাৰতবৰ্ষত গঢ়ি উঠা সন্ত্ৰাসবাদী আন্দোলনো ইয়াৰে অন্যতম এক ফলশ্ৰুতি। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ত বৰ্তমানৰ ভাৰতবৰ্ষৰ ভৌগলিক অৱস্থানৰ অন্তৰ্গত প্ৰায়বোৰ জাতি গোষ্ঠীয়েই স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহন কৰিলেও পূৰ্ণাঙ্গ ৰূপত একক জাতীয় ঐক্য গঢ়ি নুঠিল। পৰৱৰ্তী অৱস্থাত দেশীয় শাসক গোষ্ঠীয়ে পুজীঁপতি আৰু সাম্ৰাজ্যবাদী শক্তিৰ বহতীয়াৰ ৰূপত কাম কৰাৰ বাহিৰেও চৰম দুৰ্নীতি, স্বজন তোষণ, ৰাজনৈতিক ভ্ৰষ্টাচাৰিতা, স্বৈৰাচাৰিতা আদি অপকৰ্মৰ ফল সাধাৰণ মানুহে ভোগ কৰিব লগা হ'ল আৰু অৰ্থনৈতিক অসম বিকাশৰ বাবে আঞ্চলিকতাবাদ গা কৰি উঠিল। লগে লগে বৃহৎ জাতি সমূহৰ আগ্ৰাসী ভূমিকাৰ যোগেদি ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্তা সমূহক ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ভাবে শোষন চলোৱাৰ ফলশ্ৰুতিতেই জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবী, ঠায়ে ঠায়ে ঐতিহাসিক বিচাৰ বিশ্লেষণ ভাঙি ধৰি ভাৰত ৰাষ্ট্ৰৰ পৰা নিজকে বিচ্ছিন্ন হোৱাৰ দাবী প্ৰবল জনমতত পৰিণত হ'ল। আৰু একাংশই অস্ত্ৰ সংগ্ৰামৰ আখৰা আৰম্ভ কৰিলে। পঞ্জাৱ, অসম, নগাভূমি, মনিপুৰ, মিজোৰাম আদিক আমি উদাহৰণ হিচাবে তুলি ধৰিব পাৰো।

একেবাৰে শেহতীয়া ভাৱে অসমৰ গণ পৰিষদ দলেও তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰত অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ পক্ষে কাম কৰাৰ কথা উল্লেখ কৰিছিল। নীতি আৰু আদৰ্শগত ভাৱেজাতিৰ আত্মনিয়ন্ত্ৰণ বুলিলে কি বুজায় সেই সম্পৰ্কে কোনো ব্যাখ্যা অৱশ্যে তেওঁলোকৰ পৰা আমি পোৱা নাই। ৰাষ্ট্ৰীয় চাৰিত্ৰিক দিশৰ পৰা অগপ দলক জাতীয় শক্তি সম্পন্ন দল বুলি আমি ভাবিব নোৱাৰো। আঞ্চলিকতাবাদৰ নামাৱলী গাত মেৰিয়াই লোৱা অগপ দলে জাতীয় স্বাৰ্থত অসমৰ জনগণৰ গণ শক্তিৰ ওপৰত আস্থা ৰাখি সংগ্ৰামী ভূমিকা পালন কৰাতকৈ দিল্লীশ্বৰৰ ওচৰত নতশীৰ হোৱাৰ শ্ৰেণীগত লক্ষনো অৱশ্যে ইতিমধ্যে ফুটি উঠিছে। এনে অৱস্থাত অসমৰ জাতীয় সংগ্ৰামক আগুৱাই নিবলৈ হলে জনগণৰ প্ৰচণ্ড শক্তিৰ ওপৰত বিশ্বাস আৰু আস্থা ৰাখি গণশক্তি উত্থানৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব।

সন্ত্ৰাসবাদক আমি সমৰ্থন নকৰো। সন্ত্ৰাস দুই ধৰণৰ হব পাৰে। ব্যক্তি সন্ত্ৰাস আৰু ৰাষ্ট্ৰীয় সন্ত্ৰাস। ব্যক্তি সন্ত্ৰাসৰ ক্ষেত্ৰতো বৃহত্তৰ স্বাৰ্থৰ দোহাই দিয়া হয় আৰু ৰাজনৈতিক ভাৱেও ব্যক্তি সন্ত্ৰাসৰ বাবেও ৰাষ্ট্ৰযন্ত্ৰকে আমি জগৰীয়া কৰিব বিচাৰো। কাৰন জনগনৰ ক্ষোভৰ সঠিক মীমাংসাৰ পথ ৰাচি ওলিয়াৰো দায়িত্ব ৰাষ্ট্ৰ যন্ত্ৰৰ। তাকে নকৰি জনসাধাৰনৰ প্ৰতি চূড়ান্ত অৱহেলা আৰু সমস্যাটো প্ৰশাসনিক কৰি ৰাখি ৰাজনৈতিক ভাৱে সমস্যা সমাধান কৰিবলৈ চেষ্টা নকৰাতো অন্যতম কাৰণ। ব্যক্তি সন্ত্ৰাস দমনৰ নামত যেতিয়া ৰাষ্ট্ৰীয় সন্ত্ৰাস জাপি দিয়া হয় তেতিয়া জনগনো পীড়িত নিষ্পেষিত হয় আৰু ৰাষ্ট্ৰযন্ত্ৰই মানব অধিকাৰ খৰ্ব কৰাৰ দোষত জগৰীয়া হয়।

ওপৰৰ পটভূমিত অসমৰ বৰ্তমানৰ পৰিস্থিতিৰ সামগ্ৰিক বিশ্লেষণ হোৱাতো বাঞ্চনীয়। অসম খন শোষণ নিষ্পেষনৰ বাবে এখন সুন্দৰ চৰনীয়া পথাৰ। ইয়াৰ পৰা কেচাঁমাল শোষন কৰি নিয়া বিদেশী আৰু বহিৰাগতৰ স্থায়ী শোষণৰ ক্ষেত্ৰ গঢ়ি তোলাৰ বাবে জন গাঠনি পৰিবৰ্তন কৰা কৌশলকে ধৰি ৰাষ্ট্ৰযন্ত্ৰৰ অৱহেলাই অসমৰ মানুহক অতিষ্ঠ কৰি তুলিছে। সাধাৰণ বিষয়বস্তু এটা আদায় কৰিবলৈ হলেই অয়সমীয়াই আন্দোলন কৰিব লগা হয়। অসমৰ সম্পদক অসমতে উৎপাদন কৰা আৰু ইয়াৰ সামগ্ৰিক বিকাশৰ বাবেও আন্দোলন কৰিব লগা হয়, ৰাষ্ট্ৰযন্ত্ৰৰ পুলিচ; মিলিটেৰীৰ হাতত অসমীয়াই প্ৰাণ দিব লগা হয়। ভাৰতৰ অন্য প্ৰদেশৰ তুলনাত অসমীয়াৰ অনগ্ৰসৰতা, অসম অৰ্থনৈতিক বিকাশৰ বাবে অসমীয়াই আৰু কৈয়ে ভুগিব লগা হৈছে। যাৰ বাবে জাতীয় মুক্তি আন্দোলনৰ আখৰা গোটেই উত্তৰ পূৰ্বাঞ্চলতে আৰম্ভ হৈছে।

এনে পৰিস্থিতিত আমাৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সচেতন হব লাগিব। বৰ্তমানে অসমীয়া জাতিৰ জাতিগত অৱস্থানৰ ওপৰত কিছু আলোচনা কৰা যাওক। আমি নিককে এবাৰ ওভাট চাওঁচোন। আজিৰ অসমীয়াক ৰাম সিংহই প্ৰশংসা নকৰিলহেতেন। আজিৰ অসমীয়া পৰশ্ৰীকাতৰ, সোৰোপা, অসৎ, সুবিধাবাদী, সহজ মূল্যত নিজৰ মুৰ বিক্ৰী কৰিব পৰা, জীৱিত কালতে বহুবাৰ মৃত্যুবৰণ কৰিবলৈ কুণ্ঠাবোধ নকৰে। সহজতে ধনী হৈ আৰামত খাই বৈ জীয়াই থকাৰ প্ৰবল প্ৰয়াস, তেহেলে জাতি জহন্নামে যাওঁক, ব্যক্তি অহংকাৰ, দুৰ্বল চৰিত্ৰ, শাৰীৰিক পৰিশ্ৰম বিমুখ, অনৰ্থক সময় কটাই ভাল পোৱা আদি লক্ষণ সমূহেই অসমীয়া জাতিৰ বৰ্তমানৰ লক্ষনীয় বৈশিষ্ট্য। ইয়াৰ বাহিৰেও জাত-পাত, ধৰ্মীয় গোড়ামী, কুসংস্কাৰ, একেটা নাম ঘৰত দহোটা খেল আদি অসমীয়াৰ বৰ্ত্তমানৰ বৈশিষ্ট্য।

আজি জাতিৰ দুৰ্য্যোগৰ সময়ত আমি নিজকে আত্ম সমালোচনা কৰিব লাগিব। আমাৰ নিজা অৰ্থনৈতিক ( Traditional ) বুনিয়াদ

পুনৰ উদ্ধাৰ কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগিব। এই সকলোৱে মাপ কাঠি হোৱা উচিত সততা, ধৈৰ্য্য, বস্তুবাদী, পৰিশ্ৰমী, বিৰল ব্যক্তিত্ব গঢ়ি তুলি সকলো ব্যক্তি তথা পৰিয়াল গোষ্ঠীগত স্বাৰ্থত উৰ্দ্ধত চূড়ান্ত ত্যাগ স্বীকাৰ কৰিবলৈ শিকিব লাগিব সমাজ তথা উত্তৰ পূৰ্বাঞ্চলৰ ইতিহাস অধ্যয়ণ কৰি জনগণৰ পৰা শিক্ষা আহৰণ কৰাৰ বাবে প্ৰতিশ্ৰুতিৰ শপত লৈ আগুৱাব লাগিব। তেতিয়াহে আমি আমাৰ অসমীয়া জাতিৰ পুনৰ উত্থানৰ আশা কৰিব পাৰো।

# নিজে চিতাত তুলি দি চকুলো টুকিছো

অসমীয়াৰ অসমক খণ্ড বিখণ্ড কৰি বিক্ৰী কৰি নিজক শ্ৰেষ্ঠ বুলি দেখুৱাবলৈ চেষ্টা কৰা গোষ্ঠীটোৰ বিৰুদ্ধে মাত মাতিবলৈ আগবাঢ়ি যোৱা সকল, যি সকলে সোঁৱৰাই দিছে থিয় হৈ থকা মাটিডোখৰ মোৰ, মোৰ জাতিৰ মোৰ জননীৰ মোৰ মাটিত চলিছে অবাধ দূৰ্নীতি অত্যাচাৰ, ব্যভিচাৰ, যত নিপিড়ীত জনতাৰ ঘৰৰ চালত শগুনৰ আৰ্তনাদ. য'ত গুলিৰে থকা সৰকা কৰিছে জনতাক. যত নাৰী নিৰ্য্যাতন, শোষণ. শান্তিৰ নামত মৃত্যু তাতেই প্ৰয়োজন হৈছে বিপ্লৱৰ অতীতৰ ভূল সংশোধনৰ পথ দেখুৱাই দিয়া সেই শ্বহীদ বীৰ জোৱানৰ প্ৰতি অশেষ শ্ৰদ্ধা যি পথ বাচি লৈছে, সেই পথ শুদ্ধ পথ— আমি কম, সকলোৱে কৰ ক'লে নহব আগুৱাই যাব লাগিব সেয়া হব লাগিব হিংসা বৰ্জিত। অৱশ্যে নিজেও ৰক্ষা কবচ লব লাগিব। পত্থম মেধি- আছিল মৰমৰ। নিজে চিতাত তুলি দি চকুলো টুকিছো। পৰমেশ্বৰ ওচৰত নিবেদন- বিদেহী আত্মাৰ শান্তি হওঁক। আকৌ ভাবো- কোন পথ শুদ্ধ?

শ্ৰীৰূপাৰাম শইকীয়া
বামুনগাওঁ, লঙ্কা।

# কবিতা

## চেতনা

বিকলাংগ প্ৰতিদ্বন্দী মোৰ-
মই তো চিৰঞ্জীৱী নহওঁ,
নোহোৱা তুমিও………………
তথাপি এই বিহ বিয়পাইছা—
কাৰ বাবে?

কিমানবাৰ কলো
বাৰুদৰ গোন্ধ আৰু ভাল নেলাগে,
ৰাজনীতিৰ কপট খেল বন্ধ কৰি
হাতে হাতে গোলাপ এপাহ দেখাৰ
বাট মুকলি কৰি দিয়া,
কিন্তু নামানিলা।
মোৰ এই ব্যৰ্থতা অৰ্থহীন নে?

মানিক দে

## নীলা পদুমৰ হাঁহি

অন্ধকাৰ নিশা
এদিন শুনিলোঃ
'নীলা পদুমৰ হাঁহি'
আৰু আজি!
জোনাক নহলেও
আন্ধাৰ নোহোৱা
শেষ নিশা
কিয় শুনো
ৰগা পদুমৰ
মৃত্যুকাতৰ চিৎকাৰ!
হয়তো পোহৰলৈ
এপহৰ বাকী

শ্ৰীতিলক বৰা

# গল্প

# স্পন্দন

শেৱালী কাকতি

ভাল নে তোৰ?

ভালেই। তই কেনে আছ? ঘৰলৈ গৈছিলি নেকি?

ওহো নাই যোৱা। তই গৈছিলি নেকি?

নিৰ্দিষ্ট কৰি থোৱা চাৰিআলিটোতে মাজে মাজে দুয়োটাৰে দেখা হয়। কুশল মঙ্গলৰ বাতৰি লৈ দুয়োটা নানা কথাত মচ্গুল হৈ পৰে। মাজে মাজে এৰি থৈ অহা লৰালি দিনবোৰৰ কথাও আলোচনা কৰে গাৱৰ পিছফালে থকা ৰাজহুৱা পুখুৰীত নাওঠ পিওঠ হৈ সাঁতুৰী ফুৰা, ওচৰৰ হাবিখনত পুতপুতাই চৰাই পোৱালি বিচাৰি ফুৰা, ওচৰৰ চহৰখনত চাৰ্কাচ চাবলৈ যোৱাৰ কথাবোৰো দুয়োটাই কেতিয়াবা কেতিয়াবা আলোচনা কৰে। কথা বতৰা পাতি থাকিলেও দুয়োটা নিজৰ কৰ্তব্য সম্পৰ্কে সকলো সময়তে সজাগ হৈ থাকে। কৰ্তব্যৰ তাগিদাতে দুয়োটা পুনৰ নিজৰ নিজৰ কৰ্মস্থলীলৈ গুচি যায়। পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে।

দুতুল বয়সত অকনমান ডাঙৰ। নুপুৰৰ ৰবদেউতাকৰ লৰা। পঢ়াশুনা চোৱাচিতা কৰিবলৈ সময় নোপোৱাৰ কাৰণে ৰবদেউতাকে ভায়েকৰ ঘৰতে লৰাটো থৈছিল।

ল'ৰালিৰ দুষ্টামি এৰি এটা সময়ত লৰাহ'ত ডাঙৰ হৈ আহিল। প্ৰবেশিকা পাছ কৰিলে লাহে লাহে দুতুলৰ সাহস আৰু বুদ্ধিৰ প্ৰশংসা চাৰিফালে ওলাবলৈ ধৰিলে। হাতত খঁজা বন্দুক এটা লৈ এদিন সি জংগলে অকলেই চিকাৰলৈ গ'ল। নুপুৰকো কথাটো নকলে। কলেই জানো চা সি ঘৰত কথাটো কৈ দিয়ে। হাবিৰ মাজেদি এদিন হৰিণা পছু খেদোতে খেদোতে অবৈধ চোৰাং কাৰবাৰীৰ সন্মুখতে পৰিলগৈ। সি কিন্তু সিহঁতক দেখি অলপো ভয় নেখালে চোৰাং কাৰবাৰী হঁতে তাক গুলি কৰিবলৈ বন্দুক ডাঙি লোৱাৰ আগে আগেই সি তাৰ খঁজা বন্দুকৰেই সিহঁতক আক্ৰমণ কৰিলে। সিহঁতে তাৰ পৰা আক্ৰমণ হব বুলি অলপো ভবা নাছিল। সেয়ে থতমত খালে। সেই সুযোগতে দুতুলে ক্ষিপ্ৰ গতিৰে গৈ নিৰাপদ আশ্ৰয় পালেগৈ নিজৰ উপস্থিত বুদ্ধি আৰু সাহস, প্ৰত্যুৎপন্নমতিতাৰ বাবে দুতুল হাবিৰ মাজে মাজে বহুদূৰ পালে গৈ। হঠাতে হৰিণা এজনী আহি তাৰ সন্মুখতে ওলালহি। হৰিণাজনীক দেখি কিয় জানো তাৰ মাৰিবৰ মন নগল অকলে অকলে আপোন মনেৰে ঘাঁহ খাই থকা হৰিনীজনীলৈ তাৰ বৰ মৰম লাগিল

লাহে লাহে হাবিৰ পৰিবেশ তাৰ বৰ ভাল লাগিবলৈ ধৰিলে। অৰন্যৰ সেউজীয়া ৰাশি ৰাশি ৰং নানা ধৰনৰ জীৱজন্তু কীট পতঙ্গৰ নানা ধৰণৰ মাততে তাক বিস্ময়াভিভূত কৰি তোলে। কি য অনাবিল শান্তি! মানুহৰ সমাজৰ অন্যায় অবিচাৰবোৰ সি বুজি পোৱা হল সেইবোৰ দেখিলে তাৰ মনটো খং, ক্ষোভ আৰু বিৰক্তিৰে ভৰি পৰে।

OKDISCD

পুনৰ উদ্ধাৰ কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগিব। এই সকলোৰে মাপ কাঠি হোৱা উচিত সততা, ধৈৰ্য্য, বস্তুবাদী, পৰিশ্ৰমী, বিৰল ব্যক্তিত্ব গঢ়ি তুলি সকলো ব্যক্তি তথা পৰিয়াল গোষ্ঠীগত স্বাৰ্থত উৰ্দ্ধত চূড়ান্ত ত্যাগ স্বীকাৰ কৰিবলৈ শিকিব লাগিব। সমাজ তথা উত্তৰ পূৰ্বাঞ্চলৰ ইতিহাস অধ্যয়ণ কৰি জনগণৰ পৰা শিক্ষা আহৰণ কৰাৰ বাবে প্ৰতিশ্ৰুতিৰ শপত লৈ আগুৱাব লাগিব। তেতিয়াহে আমি আমাৰ অসমীয়া জাতিৰ পুনৰ উত্থানৰ আশা কৰিব পাৰো।

## নিজে চিতাত তুলি দি চকুলো টুকিছো

অসমীয়াৰ অসমক খণ্ড বিখণ্ড কৰি বিক্ৰী কৰি নিজক শ্ৰেষ্ঠ বুলি দেখুৱাবলৈ চেষ্টা কৰা গোষ্ঠীটোৰ বিৰুদ্ধে মাত মাতিবলৈ আগবাঢ়ি যোৱা সকল, যি সকলে সোঁৱৰাই দিছে থিয় হৈ থকা মাটিডোখৰ মোৰ, মোৰ জাতিৰ মোৰ জননীৰ মোৰ মাটিত চলিছে অবাধ দুৰ্নীতি অত্যাচাৰ, ব্যভিচাৰ, যত নিপিড়ীত জনতাৰ ঘৰৰ ছালত শকুনৰ আৰ্তনাদ. য'ত গুলিৰে থকা সৰকা কৰিছে জনতাক, যত নাৰী নিৰ্য্যাতন, শোষণ. শান্তিৰ নামত মৃত্যু তাতেই প্ৰয়োজন হৈছে বিপ্লৱৰ অতীতৰ ভুল সংশোধনৰ পথ দেখুৱাই দিয়া সেই শ্বহীদ বীৰ জোৱানৰ প্ৰতি অশেষ শ্ৰদ্ধা যি পথ বাচি লৈছে, সেই পথ শুদ্ধ পথ— আমি কম, সকলোৱে কৰ ক'লে নহব আগুৱাই যাব লাগিব সেয়া হব লাগিব হিংসা বৰ্জিত। অৱশ্যে নিজেও ৰক্ষা কবচ লব লাগিব। পতুম মেধি- আছিল মৰমৰ। নিজে চিতাত তুলি দি চকুলো টুকিছো। পৰমেশ্বৰ ওচৰত নিবেদন- বিদেহী আত্মাৰ শান্তি হওঁক। আকৌ ভাবো- কোন পথ শুদ্ধ?

শ্ৰীৰাপাৰাম শইকীয়া
বামুনগাওঁ, লঙ্কা।

## কবিতা

### চেতনা

বিকলাংগ প্ৰতিদ্বন্দ্বী মোৰ-
মই তো চিৰঞ্জীৱী নহওঁ,
নোহোৱা তুমিও...............
তথাপি এই বিহ বিয়পাইছা—
কাৰ বাবে?

কিমানবাৰ কলো
বাৰুদৰ গোন্ধ আৰু ভাল নেলাগে,
ৰাজনীতিৰ কপট খেল বন্ধ কৰি
হাতে হাতে গোলাপ এপাহ দেখাৰ
বাট মুকলি কৰি দিয়া,
কিন্তু নামানিলা।
মোৰ এই ব্যৰ্থতা অৰ্থহীন নে?

● মানিক দে

### নীলা পদুমৰ হাঁহি

অন্ধকাৰ নিশা
এদিন শুনিলো:
'নীলা পদুমৰ হাঁহি'
আৰু আজি।
জোনাক নহলেও
আন্ধাৰ নোহোৱা
শেষ নিশা
কিয় শুনো
বগা পদুমৰ
মৃত্যুকাতৰ চিৎকাৰ!
হয়তো পোহৰলৈ
এপহৰ বাকী

● শ্ৰীতিলক বৰা

## গল্প

### স্পন্দন

শেৱালী কাকতি

ভাল নে তোৰ?

ভালেই। তই কেনে আছ? ঘৰলৈ গৈছিলি নেকি?

ওহো নাই যোৱা। তই গৈছিলি নেকি?

নিৰ্দিষ্ট কৰি থোৱা চাৰিআলিটোতে মাজে মাজে দুয়োটাৰে দেখা হয়। কুশল মঙ্গলৰ বাতৰি লৈ দুয়োটা নানা কথাত মছগুল হৈ পৰে। মাজে মাজে এৰি থৈ অহা লৰালি দিনবোৰৰ কথাও আলোচনা কৰে গাৱৰ পিছফালে থকা ৰাজহুৱা পুখুৰীত নাওঠ পিওঠ হৈ সাঁতুৰী ফুৰা, ওচৰৰ হাবিখনত পুতপুতাই চৰাই পোৱালি বিচাৰি ফুৰা, ওচৰৰ চহৰখনত চাৰ্কাচ চাবলৈ যোৱাৰ কথাবোৰো দুয়োটাই কেতিয়াবা কেতিয়াবা আলোচনা কৰে। কথা বতৰা পাতি থাকিলেও দুয়োটা নিজৰ কৰ্তব্য সম্পৰ্কে সকলো সময়তে সজাগ হৈ থাকে। কৰ্তব্যৰ তাগিদাতে দুয়োটা পুনৰ নিজৰ নিজৰ কৰ্মস্থলীলৈ গুছি যায়। পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে।

তুতুল বয়সত অকনমান ডাঙৰ। নুপুৰৰ বৰদেউতাকৰ লৰা। পঢ়াশুনা চোৱাচিতা কৰিবলৈ সময় নোপোৱাৰ কাৰণে বৰদেউতাকে ভায়েকৰ ঘৰতে লৰাটো থৈছিল।

ল'ৰালিৰ দুষ্টামি এৰি এটা সময়ত লৰাহ'ত ডাঙৰ হৈ আহিল। প্ৰৱেশিকা পাছ কৰিলে লাহে লাহে তুতুলৰ সাহস আৰু বুদ্ধিৰ প্ৰশংসা চাৰিফালে ওলাবলৈ ধৰিলে। হাতত খঁজা বন্দুক এটা লৈ এদিন সি অকলে অকলেই চিকাৰলৈ গ'ল। নুপুৰকো কথাটো নকলে। কলেই আলোচা সি ঘৰত কথাটো কৈ দিয়ে। হাবিৰ মাজেদি এদিন হৰিণা পছ খেদোতে খেদোতে অবৈধ চোৰাং কাৰবাৰীৰ সন্মুখতে পৰিলগৈ। সি কিন্তু সিহঁতক দেখি অলপো ভয় নেখালে চোৰাং কাৰবাৰী হঁতে তাক গুলি কৰিবলৈ বন্দুক ডাভি লোৱাৰ আগে আগেই সি তাৰ খঁজা বন্দুকৰেই সিহঁতক আক্ৰমণ কৰিলে। সিহঁতে তাৰ পৰা আক্ৰমণ হব বুলি অলপো ভবা নাছিল। সেয়ে থতমত খালে। সেই সুযোগতে তুতুলে ক্ষিপ্ৰ গতিৰে গৈ নিৰাপদ আশ্ৰয় পালেগৈ। নিজৰ উপস্থিত বুদ্ধি আৰু সাহস, প্ৰত্যুৎপন্নমতিতাৰ বাবে তুতুল হাবিৰ মাজে মাজে বহুদূৰ পালে গৈ। হঠাতে হৰিণা এজনী আহি তাৰ সন্মুখতে ওলালহি। হৰিণাজনীক দেখি কিয় জানো তাৰ মাৰিবৰ মন নগল। অকলে অকলে আপোন মনেৰে ঘাঁহ খাই থকা হৰিনীজনীলৈ তাৰ বৰ মৰম লাগিল।

লাহে লাহে হাবিৰ পৰিবেশ তাৰ বৰ ভাল লাগিবলৈ ধৰিলে। অৰন্যৰ সেউজীয়া ৰাশি ৰাশি ৰং নানা ধৰনৰ জীৱজন্তু কীট পতঙ্গৰ নানা ধৰণৰ মা-তে তাক বিস্ময়াবিভূত কৰি তোলে। কি য অনাবিল শান্তি। মানুহৰ সমাজৰ অন্যায় অবিচাৰবোৰ সি বুজি পোৱা হল সেইবোৰ দেখিলে তাৰ মনটো খং, ক্ষোভ আৰু বিৰক্তিৰে ভৰি পৰে।

OKDISCD

প্ৰাকৃতিক পৰিৱেশে তাক যেন টানি লৈ যায়। হাবিত দেখি অহা ঘটনাবোৰ সি মুপুৰক ভাঙি পাতি কয়হি। সেইবোৰ শুনিলে মুপুৰ উত্তেজিত হৈ উঠে কিন্তু তুহুলৰ দৰেতে হাবিত ঘুৰি ফুৰিবলৈ তাৰ ভয় লাগে। বাঘ ভালুক ওলায় যদি। সচাঁসচিকৈয়ে তুহুল এদিন ভালুকৰ আগতে পৰিলগৈ। হাবিৰ মাজত ঘুৰি ফুৰোতে কোন পলকতনো সি ভালুকটোৰ আগতে পৰিলহি তৰ্কিবই নোৱাৰিলে। সি তৎক্ষণাৎ উপস্থিত বুদ্ধিৰে ভালুকটোক সাৱটি ধৰিলে। ভালুকেও এৰি দিয়া ভকত নহয়। দুয়োটাৰে বিৰাট দৰৱাদৰৱি লাগিবলৈ ধৰিলে। তুহুলৰ এনে লাগিল যেন তাৰ আৰু ৰাচিবলৈ উপায় নাই। বহুপৰ যুজাৰ পিছত সি উপায়ন্তৰ হৈ এটা সমস্ত ভালুকৰ মুখত বন্দুকৰ নলীটো সোমাই দি ট্ৰিগাৰটো টানি দিলে ইয়াৰ বাহিৰে তাৰ আন উপায় নাছিল। ভালুকটোৰ গাৰ পৰা হোলোকা হোলোকে তেজ ওলাবলৈ ধৰিলে। তেজবোৰ দেখি তাৰ মনটো বিষাদেৰে ভৰি পৰিল সিটো ভালুকটোক মাৰিবলৈ বিচৰা নাছিল ৰঙা ৰঙা তেজ...... মানুহৰ তেজবোৰৰ লগত দেখোন একেই ৰঙা হয়তো পৰীক্ষাগাৰত প্ৰমান হব দুয়োবিধ তেজ বেলেগ বেলেগ।

মানুহৰ সমাজৰ সুদখোৰ বিলাকৰ তেজ বিলাক বাৰু কেনেকুৱা? এই যে সিহত আৰু সিহতৰ গাৰৰ দুখীয়া মানুহৰ তেজ শোহা মহাজন বিলাক?

তুহুলৰ কলেজত পঢ়িবলৈ মন নোযোৱা হল। যিমানে বয়স বাঢ়িবলৈ ধৰিলে সিমানে তাৰ মনটোও পুৱঠ হবলৈ ধৰিলে। সমাজৰ অন্যায়, অনিয়মবোৰ সি সহ্য কৰিব নোৱাৰা হল। অন্যায় দেখিলেই প্ৰতিবাদ কৰাটো তাৰ নিয়মত পৰিণত হ'ল। মুপুৰেও অন্যায় সহ্য কৰিব নোৱাৰে। কিন্তু সি তুহুলৰ দৰে অন্যায়ৰ স্বোচ্ছাৰ প্ৰতিবাদ কৰিব নোৱাৰে। সি যেন আলপ নমনীয় অলপ দুৰ্ব্বল। তুহুল যেন জ্বলি থকা দগ্‌মগ্‌ আঙঠাহে। যিটো অন্যায় বুলি সি বুজি পায় তাৰ প্ৰতিবাদ কৰিবৰ বাবে সি সামান্যতম কুণ্ঠাবোধ নকৰে। জুইৰ স্ফুলিংগৰ দৰে দপ্‌দপ্‌কৈ জ্বলি উঠে। লাহে লাহে তুহুলৰ বিপদ আহিবলৈ ধৰিলে। দদায়েক হতে তাক বুজাবলৈ ধৰিলে। সি এটা সৰু লৰা। তাৰ এইখিনিকত মাত মাতিবলৈ দৰ্কাৰ নাই। আমি আছো, সমাজ আছে দেশত আইন কানুন আছে। এইবোৰত মাত মাতি নিছামিছি সি বিপদ চপাই লোৱাহে হব। কিন্তু তুহুলে মানি লবলৈ টান পায় সিটো এতিয়া সৰু হৈ থকা নাই। জানি শুনি অন্যায় বিলাক সহ্য কৰি থাকে কেনেকৈ?

আমনি লাগিলেই সি চিকাৰ কৰাৰ চলেৰে হাবিখনলৈ যায়গৈ। হাবিৰ মাজত ঘুৰি ফুৰোতে এদিন সি কিবা কাৰণত হাবিৰ মাজেদি বৈ যোৱা নদীখনত নামিলগৈ। কিবা-কিবি ভাবি ভাবি গৈ থাকোতে হঠাতে প্ৰকাণ্ড অজগৰ সাপ এটাৰ গাতে উঠিলগৈ। তুহুলে কিন্তু অলপো ভয় নেখালে। তুহুলৰ অভিধানত কিজানি ভয় নামৰ কোনো শব্দই নাই। বয়স থুউব বেছি হয় যদি সোতৰ বা ওঠৰ হব। সেই বাৰো সি সাহসেৰে অজগৰ সাপডালৰ পৰা কৌশলেৰে সাৰিল।

হাবিৰ পৰা আহি সি মুপুৰৰ আগত সকলো কথা ভাঙিপাতি কয়। কাৰন মুপুৰ তাৰ ভায়েক যদিও বন্ধুৰ দৰে। নলে গলে লগা বন্ধু। তুহুনাৰ উত্তেজক কাহিনীবোৰ শুনি মুপুৰৰ মনটো থৌকি বাথৌ লাগে। কিন্তু তাৰ সেইবোৰ চাবলৈ সাহসে নুকুলায়। তুহুনাৰ সাহস আৰু বুদ্ধিৰ সি তাৰিফ কৰে: বাঃ ইমান সাহস আছেনে তাৰ? তাৰচোন ভাবিলেই ভয় লাগে।

অভাৱ যিমানেই বাঢ়িবলৈ ধৰিলে সিমানেই অন্যায় বিলাকো সি প্ৰতক্ষ কৰিবলৈ ধৰিলে। লগে লগে তাৰ খঙো বাঢ়ি গৈ থাকিল। এনে সময়তে চিকিৎসাৰ অভাৱত তাৰ মাক মৰিল। মাকক হেৰুৱাৰ বেদনাই মস্তিষ্কত তীব্ৰ খং আৰু ক্ষোভৰ ধুমুহা বৈ গ'ল। এনেসময়তে সি লগ পালে প্ৰদীপক। প্ৰদীপ বৰা। মাজুলীৰ বেছ শিক্ষিত লৰা। কিন্তু অতিশয় ভদ্ৰ আৰু নম্ৰ। প্ৰদীপে বাহত কথাই জানে। কবলৈ গলে তুহুলৰ অমীনাংসিত প্ৰায়বোৰ প্ৰশ্নৰে উত্তৰ প্ৰদীপে দিবলৈ ধৰিলে. তুহুলৰ মনত সদায় জাগি থকা প্ৰশ্নবোৰ উত্তৰ আৰু ব্যাখা প্ৰদীপে দি যায় আৰু তুহুলে মনৰ ভিতৰতে গড়মিল কৰি চায়। প্ৰদীপে যেন তুহুলৰ মনৰ ভিতৰখন পাঠ পঢ়াদি পঢ়িব পাৰে। তুহুল আচৰিত হয়। এনেদৰেই ধীৰে ধীৰে তুহুল অৱন এখন জগতকৈ সোমাই যাবলৈ ধৰিলে।

আনহাতে মুপুৰ হতৰো আৰ্থিক অৱস্থা দিনে দিনে বেয়া হৈ যাবলৈ ধৰিলে। খৰাং বতৰ, দেউতাকৰ ভগ্ন স্বাস্থ্য ইত্যাদি নানাকাৰণত মুপুৰহঁতৰ আৰ্থিক অৱস্থা অতি বেয়া হবলৈ ধৰিলে। বাধ্য হৈ পঢ়াশুনা এৰি মুপুৰ চাকৰিৰ সন্ধানত ব্যস্ত হৈ পৰিল। চাকৰি পোৱাটোও ইমান সহজ নহয়। কপিত মাটিকৈ কেইবিঘা মাম বন্ধকত থৈ অতি কষ্টৰে মুপুৰে এটি চাকৰি যোগাৰ কৰিলে। তাকো পুলিচৰ চাকৰি।

এটা বিপ্লৱী সংগঠনত সোমাই দুজন ঘৰলৈ আহিব নোৱাৰা হল খুড়াক বায়েক হঁতে তাক বহুত বুজনি দিলে। সি কিন্তু মান্তি নহল। সি যি পথ বাচি লৈছে সেই পথেৰেহে সমাজত চলি থকা অন্যায়বোৰ নাশ কৰিব পৰা যাব। আৰু এনেকৈয়ে নলে গলে লগা দুয়ো ভাই-ককাইৰ জীৱনৰ গতি পৰস্পৰ বিৰোধী হৈ পৰিল। অৱশ্যে দুয়ো দুটা পথত ভৰি দিলেও সিহঁতৰ মনৰ মিল আগৰ দৰেই থাকিল মলীনতাই সিহঁতক স্পৰ্শ কৰিব নোৱাৰিলে

যোৱানিশা কাৰ্বি পাহাৰত হেনো ভয়ানক সংঘৰ্ষ হৈছে। বিদ্ৰোহী সকল আৰু নিৰাপত্তা ৰক্ষীৰ মাজত হোৱা মুখামুখি সংঘৰ্ষত দুয়ো পক্ষৰে হতা-হতি হৈছে। জোৱান নিহত হৈছে। বিদ্ৰোহী সকলৰো চাৰিজন নে পাঁচজন নিহত হৈছে খবৰটো বনজুইৰ দৰে চাৰিওফালে বিয়পি পৰিল। মুপুৰেও শুনিলে। নিহত সকলৰ ভিতৰত দুজনো থাকিব পাৰে নেকি? নাই নোৱাৰে। দুজন অত্যন্ত পৰিশ্ৰমী আৰু দুৰ্দান্ত সাহসী লৰা। যাৰ বাবে সংগঠনত কামত সি প্ৰায়ে ইফালে সিফালে ঘুৰি ফুৰিব লগা হয়।

হঠাতে কামাণ্ডেণ্ট জনে সিহঁতক ৰেডি হবলৈ অৰ্ডাৰ দিলে। নিহত চাৰিজন বিপ্লৱীৰ মৃতদেহ পোষ্টমৰ্টেম কৰাৰ পিছত জিলাৰ সদৰৰ পৰা পৰিয়ালৰ লোকে আনিবলৈ গৈছে। তেওঁলোকৰ নিৰাপত্তাৰ বাবে সিহঁতক মৃতদেহ আনিবলৈ ওলাবলৈ কলে।

মুপুৰহঁত যেতিয়া জিলাৰ সদৰ পালেগৈ তেতিয়া প্ৰায় দুপৰ নিশা বিপ্লৱীসকলৰ মৃতদেহ কেইটি ইতিমধ্যে প্ৰায় নষ্ট হবলৈ আৰম্ভ কৰিছে বন্ধুকৰ গুলি আৰু বেয়নেটৰ খোচত থকা সৰকা কৰা মৃতদেহ। এজনৰতো সমস্ত দাতবোৰ ভাঙি গুৰি কৰি দিয়া হৈছে, জিভা-

খনো ৰেকা হৈ আগলৈ ওলাই আহিছো। এখন হাতত খাপ মৰাৰ দাগ। জাঙিয়াটোৰ বাহিৰে মৃতদেহত কাপোৰ বুলিবলৈ একো নাই। আঃ নাই আৰু চাই থাকিব নোৱাৰি। মুপুৰে চকু মুদি দিলে। এটা এটাকৈ মৃতদেহ কেইটা গাড়ীত উঠোৱাৰ সময়তে এটা মৃতদেহ মুপুৰৰ চিনাকী যেন লাগিল তুহুন নহয়তো? মৃতদেহ কেইটা কঢ়িয়াই অনা গাড়ীখনতে সি দায়িত্ব ললে তাৰ মনটো বৰ উচপিচাই আছে। তুহুনলৈ তাৰ বৰকৈ মনত পৰিছে গাড়ী কিছুদূৰ আগবাঢ়িল।

এক বিৰাট কন ভৰ। মৃতদেহ কঢ়িওৱা গাড়ীখন সকলোৰে আগত সি তাৰ পকেটত থকা সৰু টৰ্চটো উলিয়াই মৃতদেহ কেইটা এটি এটিকৈ পিত-পিতাই চাবলৈ আৰম্ভ কৰিলে! একেবাৰে শেষৰ মৃতদেহটোত টৰ্চৰ ক্ষীণ পোহৰ পৰাৰ লগে লগে সি চিঞৰ খাই উঠিল, এয়া কি? তাৰ ওঁঠ দুটা সামান্য ফাঁক হল আৰু এটা অস্পষ্ট শব্দ ওঁঠ দুটাৰ মাজেৰে ওলাই আহিল তুহুন চকু দুটা মুদি মৃতদেহটোৰ কাষতে বহি পৰিল

# আমি এতিয়া জাগ্ৰত

বতাহৰ বোকোচাত ৰাগৰি অহা শুনিছো একুৰা ডগমগীয়া চিতা জুইৰ কু-কু শব্দ আৰু শুনিছো বাৰিষাৰ বানত ভাঁহি অহা কিছুমান দানৱৰ নিৰ্মম আস্ফালন। দেখিছো বতাহৰ স্পৰ্শত শিহৰিত গছৰ পাতবোৰত মুকুতা হৈ জিলিকা এটা নাম 'পদুম' আৰু দেখিছো জৰাজীৰ্ণ শেঁতা অথচ সব্যসাচীৰ দৰে অটলমনা এখন মুখ।

আমাৰ হৃদয়ে উচুপিছে কিন্তু আমি সাৰে আছোঁ—,নিৰলে নিৰ্ভয়ে সমাধিস্থ শান্তিৰে শুই থকা আমিবোৰ এতিয়া জাগ্ৰত আৰু তুমি তোমাৰ ইথাৰীয় দুৰ্দ্দম দৃষ্টিৰে মূৰৰ ওপৰেদি উৰি থকা শোনবোৰ ধ্বংশ কৰা।

তোমাৰ পৰা সাহসৰ শিক্ষালাভ কৰাৰ মানসেৰে আজি তোমাক শ্ৰদ্ধাৰে সুঁৱৰিছো।

কাকী সচেতন মহিলা মঞ্চ আৰু
সমন্বয়ৰক্ষী মহিলা পৰিষদ, কাকা

# জনসাধাৰণক কালান্তৰৰ শিক্ষাৰে শিক্ষিত কৰা

ইতিহাসৰ গতি দ্ৰুতৰ পৰা দ্ৰুততৰ কৰাৰ বাবে যি সকলে জীৱন দিছে, তেওঁলোক জন সাধাৰণৰ হৃদয়ত সদায় জীৱন্ত হৈ থাকিব। হে, সূৰ্য্য-সম বীৰ্য্যৰ অধিকাৰী বন্ধু সকল! তোমালোকৰ দেশপ্ৰেম, জাতিপ্ৰেম সচাঁকৈয়ে নিভাজ, পবিত্ৰ। তোমালোকে দেশ আৰু জাতিৰ বাবে কৰিব নোৱাৰা কাম নাই। তোমালোকে অবচেতনাৰ অন্ধকাৰত দিক্ বিদিক শূণ্য জনসাধাৰণক কালান্তৰৰ শিক্ষাৰে শিক্ষিত কৰি তোলা। জয় অনিবাৰ্য্য।

আশা কৰিছো—বিপ্লবী সকল আৰু চৰকাৰে বাস্তৱ পৰিস্থিতিৰ সঠিক মূল্যায়ণৰ দ্বাৰা সদিচ্ছাৰে আলোচনাৰ মাজেৰে ৰাইজৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়ক আৰু সমস্যাৰ সমাধান হওক।

বিবেক ফুকন।

জাতীয় বীৰ শ্বহীদ পদুম মেধিৰ শৱদেহ লৈ শংকা চহৰত ওলোৱা মৌন সমদল



আৰু



শেষকৃত্যৰ দৃশ্য।

## সহযোদ্ধা লাল সিংৰ মনৰ কথাৰে মুক্তি কামী জনগণলৈ

● শ্ৰীদিৱাকৰ ডেকা

সংগ্ৰামী যুৱকৰ মৃতদেহ ফটা টায়াৰত কেৰাচিন ঢালি একেখন চিতাতে পান জপাদি জাপি জ্বলাই দিয়া ছৱিখনৰ শোকৰ ছাঁ মনৰ পৰা মাৰ নাযাওঁতেই আকৌ এক হত্যাৰ সংবাদে জোকাৰি গ'ল নগাওঁ বাসীৰ হৃদয়। ৰধ্যভূমি অসম। "সংগ্ৰাম" অসমীয়াৰ আন এটি নাম। সংগ্ৰাম বিমূখ ভাৱে এইখিনি মানুহ এটি মাত্ৰ মূহুৰ্ত্তও জীয়াই থাকিব নোৱাৰে। পাৰ হ'ল বহু সংঘাট, বহু বেদনা ভৰা ধুমুহা, অসমীয়া মানুহ খিনিৰ মুৰৰ ওপৰেদি। হেৰাই গ'ল বহু সম্ভাৱনা পূৰ্ণ প্ৰতিভা। এৰি গ'ল নতুন চামলৈ নতুন এখন বুৰঞ্জীৰ সমল। সমস্যা বহুল অসম। সচাঁ অৰ্থত অসমীয়া মানুহ খিনিৰ সমস্যা আছে। আৰু এইখিনি মানুহৰ গোলামী জীৱনটোৰ অৱসান ঘটোৱাটো আমাৰ কাম্য। এই গোলামী জীৱনটোৰ অৱসান ৰিছাৰিয়েই আলফাই পাতনি মেলিব লগীয়া হ'ল "সন্মিলিত জাতীয় মুক্তি সংগ্ৰাম খনৰ" আৰু আজি তাৰেই আহ্বানত হাজাৰ জনৰ আত্ম বলিদান। অসমৰ সম্পদ আজি ৰাষ্ট্ৰীয় সম্পদ কিন্তু অসমৰ সমস্যা সমূহ অসমীয়া মানুহ খিনিৰহে সমস্যা। সম্পদৰ অধিকাৰ বিচৰা সমস্যা সমূহৰ সমাধান বিদৰাটোয়েই আমাৰ অপৰাধ। মানুহক ভাল পোৱাৰ দোষেৰে দোষী আজিৰ নৱ প্ৰজন্মটোক অপৰাধী সজোৱা হৈছে। ৰাষ্টযন্ত্ৰৰ নগ্ন স্বৰূপটোৰ প্ৰকাশ হৈছে। তাৰ প্ৰমাণ সুযোগ পূৰ্ণ সময়বোৰত আমাৰ মাজৰ পৰা হেৰাই যোৱা আত্ম বলিদান দিয়া সংগ্ৰামী সত্বাবোৰ।

বিশ্ব ইতিহাসৰ ক'তো নজিৰ নাই কোনোৱা জাতিয়ে কাৰোবাৰ দাসত্বক মানি লোৱাৰ। মানি নলয় অসমীয়া জাতিয়েও যেনেদৰে নললে 'লাল সিং, শিৱ বৰা, টাইচন ছাদ্দাম, তপন শৰ্ম্মাৰ দৰে সম্মানীয় সহযোদ্ধা সকলে। সংগ্ৰামী সত্বাবোৰক নিঃশেষ কৰাৰ পৰিকল্পনাৰে কোনো মুক্তি সংগ্ৰামলৈ বিফলতা আনি দিব নোৱাৰে হীৰকজ্যোতি, ভনীমাই দণ্ডৰ পৰা লাল সিংহঁতলৈ বহুজন গ'লগৈ ছহীদৰ তালিকাখন দীঘলীয়া কৰি। এইখন তালিকা যি মানেই দীঘল নহওঁক কিয় সংগ্ৰাম খন এটা মাত্ৰ মূহুত্বৰ বাবেও থমকি নৰয়। যেনেদৰে ৰোৱানাই বিগত সংঘাট পূৰ্ণ দিন সমূহত হেৰাই যোৱা কমৰেড্ সকলৰ অনুপস্থিতিত।

ইতিমধ্যে সংগ্ৰাম খনে যিমানেই প্ৰাসঙ্গিকতা লাভেৰে, অসমৰ সৰহ সংখ্যক জন গণৰ সহযোগিতাৰে গণ সংগ্ৰামখন আগবাঢ়িছে সিমানেই অসন্তুষ্ট হৈ পৰিছে, অসমীয়া মানুহ খিনি সাঙোৰখাই থকা ভাৰত নামৰ ৰাষ্ট্ৰ ব্যৱস্থাটো। আজি দিল্লীৰ প্ৰভু অসন্তুষ্ট আৰু এই অসন্তুষ্ট প্ৰভুক সন্তুষ্ট ৰাখি, দিছপুৰৰ জনতা ভৱনৰ গণনেতা মহন্ত ডাঙৰীয়া হঁতক গাদী ৰক্ষাৰ বাবেই প্ৰয়োজন হ'ল লাল সিং, শিৱ বৰা', টাইছন ছাদ্দাম, তপন শৰ্ম্মা হঁতৰ বুকুৰ কেছা তেজ। সেইয়াই আছিল ১৯৯৬ চনৰ ২৪ জুন নিশা বৈঠালাংচু পাহাৰ মৃত্যুত আমাৰ অকনো আক্ষেপ নাই।

মুক্তি সংগ্ৰামখনৰ স্বাৰ্থতেই আপোনলোক ছহীদ হ'ল। আপোনাসৱৰ দুৰ্দ্ধান্ত সাহস, সততা, দৃঢ়তাই হব আমাৰ সংগ্ৰামখনৰ ভৱিষ্যতৰ অঙ্গীকাৰ আজিৰ আদ্য-শ্ৰাদ্ধৰ এই শুভ মূহুৰ্ত্ততেই আপোনালোকলৈ যাছিলো আমাৰ স-শ্ৰদ্ধ প্ৰণাম। লগতে "ছহীদ পৰিয়ালৰ" গৌৰৱেৰে গৌৰৱান্বীতসকললৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো। ★

## আলফা চৰকাৰ আৰু আমি

মুকুণ্ড বড়ো

সমস্যা জৰ্জাৰিত অসম আজি অগ্নিগৰ্ভা। এহাতে প্ৰাকৃতিক দুৰ্যোগ বান-পানীৰ কৰাল গ্ৰাসত গ্ৰাম্য আৰ্থ সামাজিক ব্যৱস্থা বিপৰ্য্যস্ত আৰু মেলেৰীয়া, আন্ত্ৰিক আদি ৰোগত সহস্ৰাধিক লোকৰ মৃত্যু হৈ থকা নিত্য নতুন খবৰ, অন্য হাতে মানৱ সৃষ্টি কোকৰাঝাৰ বঙাইগাৱঁৰ গোষ্ঠীগত সংঘৰ্ষত নৰমেধ যজ্ঞ। 'মানৱ অধিকাৰ সংগ্ৰাম সমিতি, অসমৰ' সচিব প্ৰধান জাতীয় বীৰ পৰাগ কুমাৰ দাস জাতি দ্ৰোহী ষড়যন্ত্ৰকাৰীৰ প্ৰৰোচনাত নিহত হোৱা ঘটনাত প্ৰতিবাদী জনতাৰ সমদলৰ উত্তাল জোৱাৰ, মানৱ অধিকাৰ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলৰ মাজত আৰম্ভ হোৱা সংঘাট আৰু সৰ্বতোপৰি 'সংযুক্ত মুক্তি বাহিনী অসমক' ধ্বংস কৰাৰ সু-পৰিকল্পিত আঁচনিৰে সমগ্ৰ অসম জুৰি ভাৰতীয় সৈন্য ৰাহিনীয়ে চলাই থকা নিৰ্বিচাৰ অত্যাচাৰ, হত্যালীলা আদি সমস্যাই অসমৰ ৰাইজক বিমূঢ় আৰু বিতত কৰি তুলিছে। এই স্তম্ভত অৱশ্যে শেষৰ সমস্যাটোৰ ওপৰতহে এটি চমু আলচ আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে।

বিগত সাধাৰণ নিৰ্বাচনত ৰাইজে মৰমৰ আঞ্চলিক দল অসম গণ পৰিষদক বৰন কৰি ৰাজপাটত বহুৱালে; কিয়নো এই দলে নিৰ্বাচনী ইস্তাহাৰত সামৰিক সশস্ত্ৰ বিশেষ ক্ষমতা আইনৰ লগতে অন্যান্য সমস্ত কলা আইন প্ৰত্যাহাৰ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। সেনাৰ অকথ্য অত্যাচাৰ নিৰ্য্যাতনৰ পৰা মুক্ত হৈ স্বস্তি আৰু শান্তিৰ উশাহ লবলৈ অসমৰ জনসাধাৰণে পৰম আশা আৰু আস্থাৰে অপেক্ষা কৰিছিল। কিন্তু অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ঘোষনা কৰিলে যে যেতিয়ালৈকে অসমত হিংসা, অপহৰন, লুণ্ঠন আদি কাৰ্য্য বন্ধ নহয় তেতিয়ালৈকে অসমৰ পৰা সৈন্য বাহিনী প্ৰত্যাহাৰ কৰা নহব। তেওঁ ইয়াকো কলে যে ৰাইজৰ জীৱন-সম্পত্তি সুৰক্ষাৰ বাবে তেওঁৰ চৰকাৰ প্ৰতিশ্ৰুতি বদ্ধ। সেয়ে যদি সত্য; তেন্তে প্ৰশ্ন হয় আলফাৰ সন্ধানত সেনাই গাৱেঁ-ভূএে যি সকল থলুৱা জন সাধাৰণক হত্যা, শাৰীৰিক নিৰ্য্যাতন আৰু বিভিন্ন অপমান সূচক পশু সুলভ আচৰনেৰে নিগৃহীত কৰিলে সেই সকল লোকৰ জীৱন সম্পত্তি ৰক্ষাৰ বাবে মহন্ত চৰকাৰ দায়বদ্ধ নহয় নেকি। মুখ্যমন্ত্ৰী জনাই কেন্দ্ৰীয় চৰকাৰ আৰু আলফা'ৰ মাজত আলোচনাৰ পোষকতা কৰি উভয় পক্ষকে আহ্বান জনোৱাৰ কথাও ৰাইজে গম পাইছে। কিন্তু সাদিন কাকতৰ সম্পাদক অজিত কুমাৰ ভুঁএগই ক'বৰ দৰে "এহাতত গাজৰ আৰু অন্য হাতত বন্দুক" লৈ আগবঢ়োৱা মহন্তৰ এই আলোচনাৰ প্ৰস্তাৱত ৰাইজে আন্তৰিকতা দেখা পোৱা নাই। আলোচনাৰ বাবে উপযোগী সুস্থ পৰিবেশ ৰচনা কৰাত ৰাজ্য চৰকাৰে কাৰ্য্যকৰী ভূমিকা লোৱা উচিত বুলি ৰাইজে ভাবে। সৈন্য বাহিনীক বেৰেকলৈ ঘুৰাই পঠোৱাৰ লগতে ৰাজ্যখনত

বাহাল থকা অন্যান্য কলা আইন সমূহ বাতিল কৰনত অন্তৰায়ৰ সম্মুখীন হলে চৰকাৰে কাৰণ সমূহ ৰাইজক বিদিত কৰিব লাগে আৰু জনগনৰ ৰায় বিচাৰিব লাগে— কাৰণ "A Democratic Government is by the People, for the people, of the people." তদুপৰি যি 'সমন্বয় ৰক্ষী সমিতিৰ' লগত সৈন্য বাহিনীয়ে আলোচনা কৰি সামৰিক অভিযানৰ প্ৰস্তুতি চলায় সেই সমন্বয়-ৰক্ষী সমিতি কোনে, কেতিয়া আৰু কেনে ধৰণৰ সদস্যৰে গঠন কৰে সেই বিষয়েও চৰকাৰে সদৰি কৰিব লাগে। স্বৰ্গীয় হিতেশ্বৰ শইকীয়াৰ দিনৰ সমিতিখনেই কাৰ্য্যনিৰ্বাহ কৰি আছে নে অগপ চৰকাৰৰ দিনত এই সমিতি পুনৰ গঠন কৰা হ'ল বা হব ৰাইজে জনা উচিত।

"সংযুক্ত মুক্তি বাহিনী, অসম" সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী এক বিপ্লৱী সংগঠন। ভাৰত ৰাষ্ট্ৰই প্ৰচলিত সংবিধানৰ আধাৰত অসমৰ সম্পদ ৰাজি পৰিকল্পিত আৰু অবাধ লুণ্ঠনেৰে অসমবাসী ৰাইজক নিৰন্তৰ প্ৰতাৰনা আৰু শোষণ কৰি আহিছে। প্ৰতাৰনা আৰু শোষণৰ বিৰুদ্ধে নিজ ৰাজ্যৰ সম্পদৰ ওপৰত প্ৰাপ্য অধিকাৰ বিচাৰি গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন, কৰিবলৈ গৈ অসমৰ ৰাইজে বাৰে বাৰে ৰাষ্ট্ৰৰ হিংসাৰ বলি হৈছে। সেয়ে হিংসাৰ ভাষাহে বুজি পোৱা ভাৰত চৰকাৰৰ লগত কথা পাতিবলৈ অসমৰ এচাম তৰুণ-তৰুণীয়ে হাতত অস্ত্ৰ তুলি ললে। অসমৰ সম্পদ ৰাজীৰ ওপৰত অসমৰ ৰাইজৰ সৰ্বাত্মক অধিকাৰ সাব্যস্ত কৰনৰ জৰিয়তে অসমৰ অস্তিত্ব ৰক্ষাৰ সংকল্পেৰে বিদ্ৰোহী সংগঠনটোৱে এক সাৰ্বভৌম স্বাধীন অসমৰ দাবী তুলি এক জাতীয় মুক্তি সংগ্ৰাম গঢ়ি তুলিলে। তেওঁলোকৰ স্বাধীন অসমৰ পৰিকল্পনাৰ শুদ্ধাশুদ্ধ বিশ্লেষণ নকৰাকৈও এই কথা কব পাৰি যে নিষ্পেষিত, বঞ্চিত আৰু শোষিত অসমবাসীৰ মৌলিক আশা আকাংক্ষাকেই এই জাতীয় সংগ্ৰামে প্ৰতিফলিত কৰিছে। আলফা সেনানীৰ দেশাত্মবোধ আৰু সাহসত কোনো সন্দেহৰ অৱকাশ নাই; ভাৰতীয় সৈন্যবাহীনীৰ নাৰী ধৰ্ষণ, শিশু হত্যা, অথৰ্বা" বৃদ্ধ-বৃদ্ধা নিগ্ৰহ আদি বৰ্বৰোচিত কাৰ্য সংযুক্ত মুক্তি বাহিনীৰ সদস্যই সংঘটিত কৰাৰ উদাহৰণ পাবলৈ নাই। চৰকাৰী প্ৰশাসনক বুঢ়া আঙুলী দেখুৱাই অহা অনেক অসামাজিক ব্যক্তি আৰু অনুষ্ঠানে আলফাৰ তৎপৰতাত সাময়িক ভাবে হলেও পোন বাট লবলৈ বাধ্য হৈছে। কিন্তু সেয়ে হলেও সংগঠনটোৰ বিভিন্ন দিশ আৰু স্তৰত কিছু দুৰ্বলতা থকা পৰিলক্ষিত হয়। ৰাষ্ট্ৰৰ দ্বাৰা নিষিদ্ধ ঘোষিত সংগঠন আলফা, এই কথা জানিও অনেক সদস্যই অপ্ৰয়োজনীয় ভাবে হাতত আগ্নেয়াস্ত্ৰ লৈ ৰাজপথত মুকলি বিচৰণ কৰে। এনে কাৰ্য্যই প্ৰতিক্ৰিয়াশীল সকলক প্ৰৰোচিত কৰে। ফল স্বৰূপে তেওঁলোকৰ সাংগঠনিক দিশৰ জনমুখী কাৰ্য্য ব্যৱস্থা বিঘ্নিত হয়। ভাৰতীয় সংবিধান নমনা আলফাই নিৰ্বাচনৰ মাজেৰে ৰাজ্য শাসনৰ দায়িত্ব লভা কোনো ৰাজনৈতিক দলৰ ওপৰতেই সম্পুৰ্ণ আস্থা আৰু বিশ্বাস স্থাপন কৰিলে সংগঠনৰ কৰ্ম্মী সকলৰ মাজত অলসতা অসমৰ্থতা আৰু কোনো কোনো ক্ষেত্ৰত আতিশায্যই স্থান পাব। সৌ সিদিনা ২৪ জুন তাৰিখে পুৱতি নিশা কাৰ্বি আংলং জিলাৰ বৈঠালাংচুত এনে কাৰণতে মুক্তি বাহিনীৰ পাঁচ



গৰাকী বীৰ সেনানীয়ে মৃত্যুবৰণ কৰিব লগা হ'ল বুলিলেও বোধ হয় অত্যুক্তি কৰা নহব। ৰাজনৈতিক শিক্ষা আৰু সচেতনতা সংগঠনৰ নিম্নপৰ্য্যাৰ সদস্য সকলেও লাভ কৰা উচিত। আত্মসৃম্ভৰিতা, অসহিষ্ণু মনোভাৱ বিপ্লৱী সংগঠনৰ ভূষণ হ'ব নোৱাৰে। আদৰ্শৰ মিল নথকা ব্যক্তি, বুদ্ধিজীৱিৰ প্ৰতি অসহিষ্ণু ভাৱ প্ৰদৰ্শন নকৰি ধৈৰ্য্য আৰু যুক্তিৰে অন্তিম ৰায় বিচাৰি জন সাধাৰণৰ কাষ চপা উচিত। দুৰ্দ্দশাগ্ৰস্ত ৰাইজৰ সেৱাৰ মাজেৰে, সংস্কাৰ মূলক আৰু উন্নয়ন মূলক কাম কাজৰ মাধ্যমেৰে বীৰ সেনানীয়ে নিজকে ৰাইজৰ মাজত অপৰিহাৰ্য্য ৰূপত প্ৰতীয়মান কৰিব পাৰিলে ৰাইজেও নিশ্চয় তেওঁলোকৰ জাতীয় মুক্তি সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণৰ বাবে মাৰ বান্ধি ওলাই আহিব।

অসমত বৰ্ত্তমান এক অঘোষিত জৰুৰী অৱস্থাই বিৰাজ কৰিছে; অচিৰেই এক সৰ্ব্বনাশী গৃহ যুদ্ধৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। এনে পৰিস্থিতিত আমি, ৰাইজে ধৃতৰাষ্ট্ৰৰ ভাও জুৰিলে নচলিব। সত্য-ন্যায়ৰ পক্ষত থাকি অসত্য-অন্যায়ৰ বিপক্ষে মাত মাতিব লাগিব। সুবিধাবাদী স্থিতি ত্যাগ কৰি ৰাইজেই অসমৰ জাতীয় মুক্তি সংগ্ৰামৰ শুদ্ধ পথটোৰ সন্ধান দিব লাগিব; অন্যথাই কাউৰীৰ ৰং চাবলৈ বৈ থকা শিয়ালৰ নিজ ঘৰেই বুৰিব।

শেষত, যিগৰাকী বীৰ সেনানীৰ আদ্য শ্ৰাদ্ধত এই স্মৃতি পত্ৰিকা প্ৰকাশ কৰা হৈছে সেই গৰাকী জাতীয় ছহীদ পত্নম মেধিক (লালচিং) কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰ অঞ্জলি যাচিছোঁ আৰু বৈঠালাংচুৰ সমৰ ক্ষেত্ৰত বীৰ গতি লভা অন্য চাৰিগৰাকী জাতীয় ছহীদ ধ্ৰুৱজ্যোতি বৰ গোহাঁই, শিৱ বৰা, অনিল ডেকা আৰু তপন শৰ্ম্মাক গভীৰ শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। এই সকল অমৰ ছহীদৰ শোক-সন্তপ্ত পৰিয়াল বৰ্গলৈকো আন্তৰিক শ্ৰদ্ধা, কৃতজ্ঞতা আৰু সমব্যথা জ্ঞাপন কৰিছোঁ।

# বিপ্লৱ হওক অন্তৰে অন্তৰে

● গণেশ বৰা ●

যোৱা ২৪ জুনৰ কাৰ্বি আংলংৰ হত্যাকাণ্ডই আকৌ এবাৰ অসমৰ জনজীৱন জোকাৰি গ'ল। সেই দিনাই সেনাৰ হাতত নিহত পত্নম মেধি (লাল সিং)ৰ অন্তিম সংকাৰ ২৭ জুনত হৈ গ'ল। হাজাৰ হাজাৰ জনতাই অশ্ৰুসিক্ত নয়নেৰে লালসিংক বিদায় দিলে। একে লগে নিহত ছাদ্দাম বৰগোহাই, শিৱ বৰা আৰু অনিল ডেকাকো অগনিত জনতাই বিদায় দিলে। বিক্ষুব্ধ জনতাই মৃতদেহলৈ বাহিৰ কৰিলে বিশাল মৌন সমদল আৰু অন্তিম সংকাৰত

কোনে কাক স্বাধীন কৰিব পাৰে
যদি বিপ্লৱ নঘটে ভিতৰে ভিতৰে
শব্দই জানো আনিব পাৰে মাথো সংবাদ
যদি অন্ধৰ থাকে চকু আৰু বধিৰ থাকে কান
সেয়ে আহা যুদ্ধ কৰো প্ৰতিদিনে যুদ্ধ
অনুভৱ কৰো
নিজস্ব তেজৰ পৰা উদ্ধাৰ কৰো নিজস্ব
তেজৰ গান প্ৰতিদিন।

● সনন্ত তাঁতী

OKDISCD

সমবেত জনতাৰ মাজত বিভিন্ন ধৰ্ম ভাষাভাষীৰ লোকৰ উপস্থিতি আজিৰ পটভূমিত অতি তাৎপৰ্য্যপূৰ্ণ। জাতীয় বীৰ ছহিদৰ মৌন প্ৰতিবাদী সমদলত ভাগ লোৱা জনতাৰ মৌন ওঠৰ আৰু অগ্নি বৰষা চকুৰ ভাষাই চৰকাৰ তথা ৰাষ্ট্ৰবাহিনীক এই কথাই বুজাই দিলে যে চৰকাৰৰ এই হত্যাযজ্ঞত অসমৰ অগনিত জনতাৰ কোনো অনুমোদন নাই। নাই বাবেই জাতীয় বীৰ ছহিদৰ আখ্যা দি এই মৃত্যুক মহীয়ান কৰি তুলিলে জনতাৰ এই প্ৰতিবাদী ভাষা ৰাষ্ট্ৰই যিমান সোনকালে বুজে সিমান মংগল। আত্ম-নিয়ন্ত্ৰণ আৰু সম্পদৰ ওপৰত অধিকাৰ বিচাৰি অবিৰত সংগ্ৰামৰ প্ৰতিশ্ৰুতিৰে অসমৰ ক্ষমতা দখল কৰা আঞ্চলিক দলৰ চৰকাৰখনে সংগ্ৰামী জনতাৰ ভাষা বুজা নুবুজাৰ সৈতে অসমৰ ভবিষ্যত সম্পৰ্কিত।

হিলদল ভাঙি ৰাজপথলৈ ওলাই অহা লক্ষ লক্ষ জনতাৰ প্ৰচণ্ড শক্তিক জাতীয় মুক্তি সংগ্ৰামখনত কিমান সঠিক ভাবে, শৃঙ্খলিত ভাবে ব্যৱহাৰ কৰিব পাৰি আজিৰ এই দুখৰ দিনত তাকো আমি ভাবি চাওঁ। জাতীয় মুক্তি সংগ্ৰামৰ সফলতাৰ বাবে কেৱল আলফাৰ যুৱক সকলৰ মুখলৈকে চাই থকাৰ দৰে কামৰ আমিসমৰ্থক নহয় এই কথা ঠিক যে আলফাৰো অনেক ত্ৰুতি-বিচ্যুতি আছে। অনাহক প্ৰদৰ্শনকামীতা, সঠিক সিদ্ধান্ত গ্ৰহণত ব্যৰ্থতা আদিয়ে হঠাৎ বিপৰ্য্যয় নমাই আনে। এনে প্ৰতিটো বিপৰ্য্যয়ে অসমৰ জনসাধাৰণক কিদৰে কোবাই যায়, কি-দৰে মৰ্ম্মাহত কৰি পেলায় তাক দোহাৰিবৰ প্ৰয়োজন নাই। ৰাইজৰ এই অনুভূতিক বিপ্লৱী সংগঠনৰ প্ৰতিজন কৰ্মীয়ে উপলব্ধী কৰা উচিত। ৰাইজৰ এই আবেগ অনুভূতি আৰু উপলব্ধীক সুচিন্তিত ভাবে জাতীয় মুক্তি সংগ্ৰামৰ বিভিন্ন দিশত ব্যৱহাৰ কৰা, অৰ্থনৈতিক কাৰ্য্যসূচীত এই আবেগক যুক্তিৰে উপলব্ধীৰে ব্যৱহাৰ কৰাটোৱেই হ'ব ছহিদৰ প্ৰতি সৰ্বোত্তম শ্ৰদ্ধা-ঞ্জলী। বিপ্লৱী সংগঠনৰ প্ৰতিজন কৰ্মীয়ে এই কথা হৃদয়েৰে উপলব্ধী কৰক। অসমৰ ৰাইজেও যেতিয়াই প্ৰয়োজন হয় ৰাজপথলৈ ওলাই অহাৰ লগতে যোনেই যি বৃত্তিটে নাথাকক, যি অৱস্থানতে নাথাকক তাৰে পৰাই মূল লক্ষলৈ কাম কৰক। দৃষ্টি থাকিলে লক্ষ্য নেহেৰায়। এইখন অসমত থকা কোনো জন লোকেই এই দায় দ্বায়িত্বৰ পৰা আতৰি যাব নোৱাৰিব। কোনেও কাকো জাতিটোৰ কাৰণে ঠিকা দিয়া নাই বা লোৱাও নাই আৰু মুক্তিও অকল বন্দুকৰ বেৰেলেৰে আৰু ৰাজপথৰ শ্লোগানেৰে নাহে। বিপ্লৱ হব লাগিব প্ৰত্যেকৰ অন্তৰত আৰু উপলব্ধীৰ সততাৰে

"যি কোনো জাতি বা লোক যেতিয়ালৈকে নিজৰ মুক্তিৰ ভাৰ আনৰ ওপৰত দি নিশ্চিত থাকে তেতিয়ালৈকে সি মুক্ত নহয়।"

— অম্বিকাগিৰি ৰায় চৌধৰী

"স-শস্ত্ৰ তৎপৰতা অতি উচ্চস্তৰৰ এক কৰ্ম কৌশল।"

— উদয়াদিত্য ভড়ালী

পদুম মেধী ওৰফে লাল সিংৰ

# ঃ আদ্যশ্ৰাদ্ধ উদ্‌যাপন সমিতি ঃ

উপদেষ্টা মণ্ডলী :—

১। শ্ৰীতোষেশ্বৰ তামুলী ফুকন, লংকা
২। " সাৰদানন্দ দেৱগোস্বামী, হোজাই
৩। " ভাৰত তামুলী ফুকন, লংকা
৪। " মানিক দে "
৫। " সুৰেশ হাজৰীকা, বৈকুণ্ঠ গাওঁ
৬। " মকুণ্ড বড়ো, কাকী

সভাপতি : শ্ৰীদেবেন্দ্ৰ সিংহ, ১নং পিপলপুখুৰী

সাধাৰণ সম্পাদক : শ্ৰীজিতু শইকীয়া, বামুনগাওঁ

সদস্য :—

১। শ্ৰীহীৰেন ভূঞা, ১নং পাঞ্চালী
২ শ্ৰীগজেন হাজৰীকা, গোসাই গাওঁ
৩ " সুশীল বৰা, গোঁসাই গাওঁ
৪। " জীবন তামুলী ফুকন, ১নং পিপল পুখুৰী
৫। " মনোজ বৰা, হোজাই
৬ " জামালউদ্দিন লস্কৰ, বামুনগাওঁ
৭। " মুন শৰ্মা, জুঠাং বস্তি
৮ " তুৱাৰ আলী চৰকাৰ, চাৰ্কে বস্তী
৯ " শিৱ মেধী, পুৱ উদালী
১০। " জয়ৰাম বৰা, " "
১১। " বেচু চৌহান, টিলা বজাৰ
১২। " মইনুল হক, তিন হেজাৰ বিঘা
১৩ " চন্দ্ৰকান্ত বৰা, কাকী-২
১৪। " ভূমিধৰ বৰা, কাকী-১
১৫ শ্ৰীমতী হেমলতা কাকতি, কাকী

সদস্য :—

১৬ শ্ৰীশেৱালী বৰদলৈ "
১৭ মো: লুটফুৰ ৰহমান, লংকা
১৮ শ্ৰীমতী ভদ্ৰৱতী দাস, কাকী
১৯। " পুষ্পলতা কলিতা, "
২০। শ্ৰীচুতুল শইকীয়া, পাঞ্চালী
২১। " তপৰ শৰ্মা, ১নং পিপলপুখুৰী
২২। মুকুলী বৰুৱা, লংকা
২৩ শ্ৰীমতী কুলু বৰা, হাৱাইপুৰ
২৪। শ্ৰীগণেশ বৰা, কাকী
২৫। " মানিক দাস, বামুনগাওঁ
২৬) " ৰেৱত কলিতা, কাকী
২৭) পুষ্প বৰা, বৈকুণ্ঠ গাওঁ
২৮) চন্দ্ৰকান্ত ভূঞা, ২নং পিপলপুখুৰী
২৯) " অৰূপ শইকীয়া, " "
৩০) বীৰেন হাজৰীকা " "
৩১) " যোগেন শইকীয়া, লংকা
৩২) " সুনীল শইকীয়া
৩৩) " শ্যামল সিংহ, ১নং পিপলপুখুৰী
৩৪) " বীৰবল সিংহ " "
৩৫) " মৃণাল মজুমদাৰ, বামুনগাওঁ
৩৬) " প্ৰেমপ্ৰসাদ উপাধ্যায়, ২নং পিপলপুখুৰী
৩৭) " প্ৰেম সিং, লংকা
৩৮) " ভোলা গাঙ্গুলী, এন-এৰিয়া,
৩৯) " সহদেৱ মেধি, বৈকুণ্ঠ গাওঁ
৪০) " জৰ্নেল সিং, লংকা

OKDISCD

বিভিন্ন উপ-সমিতি সমূহ :

স্মৰণিকা : শ্ৰীজীৱন তামুলী ফুকন, আহ্বায়ক
" গণেশ বৰা, সদস্য
" মানিক দে "

খাদ্য : শ্ৰীমুকুজী বৰুৱা, আহ্বায়ক
শ্ৰীমতী শেৱালী বৰদলৈ, সদস্য
" কমু বৰা, সদস্য
" ভদ্ৰকান্ত বৰা, "
" দিলীপ তামুলীফুকন, "
" জীতেন পাল লংকেশ্বৰী গ্ৰাণ্ড

অভ্যৰ্থনা : শ্ৰীতগৰ শৰ্মা, আহ্বায়ক
শ্ৰীহৰেশ্বৰ বৰা, সদস্য
" গজেন হাজৰীকা, "
শ্ৰীমতী বন্তী শইকীয়া, "
" ৰূপালী বৰা, "
" ৰজত হাজৰীকা, "

স্বেচ্ছাসেৱক : শ্ৰী কৃষ্ণৰাম শইকীয়া, আহ্বায়ক
" সুশীল বৰা, সদস্য
" নীৰেন বৰা "
" হৰেশ্বৰ বৰা "
শ্ৰীমতী হেমলতা কাকতি "
" ভদ্ৰাৱতী দাস "
" পুষ্পলতা কলিতা "
" কল্পনা বৰা "

স্বেচ্ছাসেৱক : শ্ৰীমতী ৰন্তী শইকীয়া সদস্য
" মামনী হাজৰীকা "
" জছমীন কৌৰ "

প্ৰাৰ্থনা : শ্ৰীৰাম গোস্বামী, অহ্বায়ক
" ত্ৰৈলোক্য সিং
" ৰূপাৰাম শইকীয়া
মোঃ জামাল উদ্দিন লস্কৰ

শ্বহীদ বেদী : লুটফৰ ৰহমান, আহ্বায়ক

পানী যোগান : শ্ৰীঅৰূপ শইকীয়া, আহ্বায়ক
শ্ৰীৰূপক খাউণ্ড, সদস্য
" পুষ্প বৰা, "
" চন্দ্ৰকান্ত ভূঞা "

পোহৰ : শ্ৰীযোগেন শইকীয়া, আহ্বায়ক
" সহদেৱ মেধি, সদস্য

মৌন সমদল : শ্ৰীবীৰেন হাজৰীকা আহ্বায়ক
" মানিক দাস, সদস্য
" দীনেশ কুমাৰ বৰা, "
ভদ্ৰ বৰা, "

ৰভা : শ্ৰীমানিক দাস, আহ্বায়ক
" কৃষ্ণ মুদৈ সদস্য
" তিলক দাস "
তৰুবীৰ বৰা "
কৃষ্ণ শইকীয়া "

ভিক্ষা কৰি অৰ্জা স্বাধীনতাৰ ফল সুফল নহয়, ভিক্ষা কৰি পোৱা চাউল কেতিয়াও উৎকৃষ্ট চাউল হ'ব নোৱাৰে। ইঁহ, পাৰ চৰাইক ছতিয়াই দিয়াৰ দৰে বৃটিছ চৰকাৰে ভাৰতক যি স্বাধীনতা দিয়াৰ ব্যূহ ৰচনা কৰিছে, ভাৰতীয় জনসাধাৰণে তাৰ কু-ফল চন্দ্ৰ দিবাকৰ থাকে মানে ডুৰ্ভোগ কৰিব লাগিব।

● বিষ্ণু ৰাভা

তুমি,

ব্ৰাহ্মণেই হোৱা বা
বৈশ্যই হোৱা
জ্যোতিষিক সোধাৰ প্ৰয়োজন নাই ॥

তুমি,

সৈনিকেই হোৱা বা
সেনাপতিয়েই হোৱা
ৰজাক সোধাৰ প্ৰয়োজন নাই ॥

তুমি,

আদৰ্শই হোৱা বা
প্ৰেৰণাই হোৱা
হৃদয়ক সোধাৰ প্ৰয়োজন নাই ॥

মাথো,

কৰ্মই যদি ধৰ্ম হয় ॥
কৰ্তব্যই যদি আদৰ্শ হয় ॥
আদৰ্শই যদি ইতিহাস হয় ॥

তেনেহলে,

মোৰ সহযোদ্ধা সকল
অতীত ৰোমন্থনে ভাগৰ
পলোৱাৰ প্ৰয়োজন নাই ॥

OKDISCD

SREE GURU PRESS HOJAI - 782 435